**গুৱাহাটীত পুনৰ চৰম সিদ্ধান্ত যুৱতীৰ**

ই-সংবাদ, ১৫ জানুৱাৰীঃ কৰ্ম সংস্থাপন তথা শিক্ষা গ্ৰহণকে ধৰি একাধিক কাৰণত গুৱাহাটী মহানগৰীলৈ ৭ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

THURSDAY, JANUARY 16, 2025 ■ বৃহস্পতিবাৰ, ২ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ২০ Guwahati, Assam ।। মূল্যঃ এটকা

# গীতেৰে জাতিক জগাই গ'লগৈ ৰাজীৱ শদিয়া



## শাসকৰ বেয়া লগা নাই কিজানি!

■ অৰিন্দম বুঢ়াগোহাঁই

**ৰাজীৱ শদিয়াৰ** মৃত্যুত শাসকে বেয়া পোৱা নাই যেনেই লাগে! কাৰণ ৰাজীৱ শদিয়াই তেওঁলোকৰ বাবে গীত শেষাংশ ২ পৃষ্ঠাত

## সহস্ৰ গুণমুগ্ধৰ উপস্থিতিত শেষকৃত্য

### পৰিয়ালক সহায়ৰ বাবে আগবাঢ়ি আহিছে ভিন্ন দল-সংগঠন

শদিয়াৰ পৰা **ৰাজীৱ বৰা**, ১৫ জানুৱাৰীঃ অকস্মাতে হেৰাই গ'ল **ৰাজীৱ শদিয়া** নামৰ শেষাংশ ৬ পৃষ্ঠাত

## তিনিদিনৰ মূৰত ৩টা শব্দৰে জুবিনৰ শ্ৰদ্ধাঞ্জলি



**ই-সংবাদ বিশেষ, ১৫ জানুৱাৰীঃ** জাটি, মাটিৰ হকে বিপ্লৱী গীত গোৱা শিল্পী ৰাজীৱ শদিয়াৰ আকস্মিক মৃত্যুত শোকস্তব্ধ হৈ পৰিছে সমগ্ৰ ৰাজ্য। এইবাৰ মাঘ বিহুৰ উৰুকা শেষাংশ ৫ পৃষ্ঠাত

## চাৰি বন্ধুৰ আক্ৰমণত প্ৰাণ গ'ল বন্ধুৰ

**ই-সংবাদ, ১৫ জানুৱাৰীঃ** চাৰি বন্ধুৱে লগলাগি আন এজন বন্ধুক হত্যা কৰা ঘটনাই শেষাংশ ৫ পৃষ্ঠাত

## বিহুৰ মাজতে যুৱকক মৰিয়াই মৰিয়াই হত্যা

**ই-সংবাদ, কোকৰাঝাৰ, ১৫ জানুৱাৰীঃ** ভোগালীৰ উছাহ চলি থকাৰ মাজতে ৩ পৃষ্ঠাত



## সৰুপথাৰত গ্ৰেনেড উদ্ধাৰ

**ই-সংবাদ, সৰুপথাৰ, ১৫ জানুৱাৰীঃ** বিহুৰ মাজতে সৰুপথাৰ সমজিলাৰ সদৰ সৰুপথাৰ শেষাংশ ২ পৃষ্ঠাত



ওদালগুৰিৰ শ্ৰীমন্ত শংকৰদেৱৰ সত্ৰৰ চোতালত মেজি প্ৰজ্বলন, ফটোঃ অঞ্জনজ্যোতি

## সলনি হ'ল ঠিকনা! কংগ্ৰেছৰ নতুন মুখ্য কাৰ্যালয় উদ্বোধন



**নতুন দিল্লী, ১৫ জানুৱাৰীঃ** সলনি হ'ল কংগ্ৰেছৰ মুখ্য কাৰ্যালয়। সুদীৰ্ঘ ৪৭ বছৰৰ পিছত ২৪, আকবৰ ৰোডৰ সলনি কংগ্ৰেছৰ ৪ পৃষ্ঠাত

### সাংবাদিক শ্যাম মীৰাৰ ইউটিউব চেনেলত অসমৰ মুখ্যমন্ত্ৰীৰ 'এ টু জেড'

# ৰাষ্ট্ৰীয় পৰ্যায়ত হিমন্তক বদনামী কৰিলে ইউটিউবাৰে

### ■ সমগ্ৰ দেশক জনালে অসমৰ বহু বাঘা বাঘা সাংবাদিকে ক'বলৈ ভয় কৰা আঁৰৰ বহু কথা!




**ই-সংবাদ বিশেষ, ১৫ জানুৱাৰীঃ** অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন অভিযোগেৰে বদনামী কৰিছে সাংবাদিক-ইউটিউবাৰ শ্যাম মীৰা সিঙে। আজটককে ধৰি কেইবাটাও আগশাৰীৰ ৰাষ্ট্ৰীয় নিউজ চেনেলৰ ৪ পৃষ্ঠাত চাওক

### সমন্বয় শোভাযাত্ৰাত সহস্ৰজনৰ অংশগ্ৰহণ

## তীৰ্থনগৰী হাজোত পৰম্পৰাগত মণিকূট উৎসৱ



**হাজোৰ পৰা বিকি মেধি, ১৬ জানুৱাৰীঃ** ধৰ্মীয় সংকীৰ্ণতাৰ উৰ্ধত শান্তি- সম্প্ৰীতি আৰু সমন্বয়ৰ মহান আদৰ্শৰাজি মানৱ ৩ পৃষ্ঠাত

### গ্ৰেপ্তাৰৰ দাবী কংগ্ৰেছৰ

## স্বাধীনতাক লৈ মোহন ভাগৱতৰ বিতৰ্কিত মন্তব্য

**নতুন দিল্লী, ১৫ জানুৱাৰীঃ** ভাৰতৰ স্বাধীনতা সন্দৰ্ভত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী মোহন ভাগৱতৰ শেষাংশ ৫ পৃষ্ঠাত

### ১৭ জানুৱাৰীত হিমন্তৰ নতুন খেল

## বিজেপিৰ ৰাজ্যিক সভাপতি হ'ব পল্লৱ!



**ই-সংবাদ, ১৫ জানুৱাৰীঃ** অসম প্ৰদেশ বিজেপিৰ সভাপতি পদৰ পৰা অপসাৰিত হ'ব ভবেশ কলিতা। ২ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ ৰাজ্যিক সভাপতি হ'ব পল্লৱ!

দীৰ্ঘদিন ধৰি বিজেপিৰ ৰাজ্যিক সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰা ভৱেশ কলিতাই লবীকেন্দ্ৰিক ৰাজনীতিৰ বাবেই নেতৃত্বৰ পৰা আঁতৰি আহিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। বিজেপিৰ এক ভিতৰুৱা সূত্ৰৰ মতে ভৱেশ কলিতাৰ পৰিৱৰ্তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অতি ঘনিষ্ঠ পল্লৱ লোচন দাসক সভাপতি হিচাপে নিৰ্বাচিত কৰিব পাৰে। তেজপুৰৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱা পল্লৱলোচন দাসক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিছিল হিমন্ত বিশ্ব শৰ্মাই। সেইমৰ্মে পল্লৱক বিহালী বিধানসভা সমষ্টিৰ পৰা উপ-নিৰ্বাচনত জয়ী কৰাবলৈ সকলো পৰিকল্পনা সম্পূৰ্ণ কৰিছিল যদিও তেজপুৰৰ সাংসদ ৰঞ্জিৎ দত্ত আৰু ভৱেশ কলিতাই বিৰোধিতা কৰা বাবেই পল্লৱ লোচন দাস প্ৰাৰ্থিত্বৰ পৰা বঞ্চিতই হয়। পল্লৱ লোচন দাসক মন্ত্ৰীসভাত সংস্থাপিত কৰিব নোৱাৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ বাজপেয়ী ভৱনত থকা সকলো প্ৰশাসনিক দায়িত্ব ইতিমধ্যে গতাই দিছিল। পল্লৱ লোচন দাসক নোসোধাকৈ বাজপেয়ী ভৱনত কোনেও ষ্টেপলাৰৰ পিন এটাও ব্যৱহাৰ কৰিব নোৱৰাৰ অৱস্থা সৃষ্টি হোৱাৰ পিছতে সকলোৰে ধাৰণা কৰিছিল যে বিজেপিৰ ৰাজ্যিক সভাপতি পল্লৱ লোচন দাস হোৱাতো খাটাং। পল্লৱ লোচন দাসক সভাপতি পাতিলে ২০২৬ৰ নিৰ্বাচনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যেনেকৈ বিচাৰে বা যাকেই বিচাৰে তাকেই প্ৰাৰ্থিত্ব দিব পাৰিব। ভৱেশ কলিতাৰ শিবিৰে বা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ শিবিৰক ক্ষমতাশূন্য কৰিবৰ বাবেই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পল্লৱ লোচন দাসক সভাপতি হিচাপে প্ৰক্ষেপ কৰিছে। শেষ মুহূৰ্তত আৰএছএছে প্ৰভাৱ বিস্তাৰ কৰি চাহ জনগোষ্ঠীৰ আন এজন নেতা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীক সভাপতি হিচাপে নিৰ্বাচিত কৰিবলৈ হেঁচা প্ৰয়োগ কৰিব পাৰে বুলি বিজেপিৰে এক সূত্ৰই প্ৰকাশ কৰিছে যদিও কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আশীৰ্বাদ পল্লৱলোচনৰ ওপৰতেই আছে বুলি জানিব পৰা গৈছে। অৱশ্যে পল্লৱলোচন দাসে এইক্ষেত্ৰত সাংবাদিকৰ ওচৰত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। দাসৰ ঘনিষ্ঠ সূত্ৰৰ মতে হিমন্ত বিশ্ব শৰ্মাই পল্লৱ লোচন দাসক বৰ্তমান সময়ত মুখ খুলিবলৈ বন্ধ কৰি থৈছে। সূত্ৰটোৰ মতে ভৱেশ কলিতাক মন্ত্ৰীসভাত স্থান দি কলিতাৰ শিবিৰৰ বিদ্ৰোহ নিয়ন্ত্ৰণ কৰিবৰ বাবে মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে পৰিকল্পনা কৰিছে। ইফালে, আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সভাপতি নিৰ্বাচনক লৈ গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীৰ মতে, ১৭ জানুৱাৰীত ৰাজ্যিক বিজেপিৰ নতুন সভাপতি নিৰ্বাচিত কৰা হ'ব। ১৬ জানুৱাৰীৰ সন্ধিয়া ৭ বজালৈ দাখিল কৰিব পাৰিব মনোনয়ন। এখন মনোনয়ন পত্ৰ দাখিল হ'লে সেইজনেই হ'ব পৰৱৰ্তী সভাপতি। এখনতকৈ অধিক মনোনয়ন দাখিল হ'লে নিৰ্বাচন অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ সদস্যসকলৰ ভোটদানেৰে সভাপতিজন নিৰ্বাচিত হ'ব। দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক সুনীল বানচাল, সম্বিত পাত্ৰ আৰু প্ৰভাৱী হৰিশ দ্বিবেদী শীঘ্ৰে অসমলৈ আহিব। নিৰ্বাচন অনুষ্ঠিত নকৰাকৈ উমৈহতীয়া প্ৰাৰ্থী মনোনীত কৰা হ'ব পাৰে। নিৰ্বাচনী পৰ্যবেক্ষক গজেন্দ্ৰ সিং শেখাৱট কাইলৈ গুৱাহাটীলৈ আহিব। পৰ্যবেক্ষকৰ দল আহি সকলোৰে লগত কথা পাতি ঐক্যমতৰ প্ৰাৰ্থী নিৰ্বাচিত কৰিব। অৱশ্যে প্ৰাৰ্থীজন কোন হয় সেয়া এতিয়াই ক'ব পৰা নাযায় বুলিও কয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শাসকৰ বেয়া লগা নাই কিজানি!

গোৱা নাছিল। ভুলবোৰ দেখিও মনে মনে থকা নাছিল। যদিও নিৰ্বাচনৰ আগত গাইছিল, সেয়া ভোট গোটোৱা গীত নাছিল। মানুহক কেৱল মনোৰঞ্জনতেই সীমাবদ্ধ ৰাখি প্ৰশ্ন সোধাৰ পৰা আঁতৰাই ৰখা নাছিল। ৰাজীৱ শদিয়াই গাইছিল মানুহৰ মন-মগজু খুলি দিয়া গীত।

"আকৌ নিৰ্বাচন, সকলোৰে জয়ৰ পণ, বহুতেই বিলাব ধন/দেশত আকৌ হ'ব ঘোষণা, ৰাইজৰ ভুলাব মন/আহিব নেতা - বহিব নেতা, শুহিব দুখীয়াৰ তেজ/এনেকৈয়ে চলিব ৰামৰাজ্য, চিধা নহ'ব আৰু কাৰোৰেই নেজ।"

"আমিবোৰ আঁকৰা - নেতা কেকোঁৰা, ৰাইজেই বজাব তালি/ভাষণৰ ভাৰ পিছতহে খুলিব, খুলিলেই ওলাব বালি/নেতা ধনী হ'ব - ডিঙিত মণি হ'ব, ৰাইজক দেখাব পিঠি/টেবুলৰ তলেৰে মাননি মাগিব, পৰিমাণ শুনাব ডাঠি।"

এই গীত শুনা মানেই গোসাঁইঘৰত কোন বুলি কোৱাৰ প্ৰয়োজন নাই। সেয়ে ৰাজীৱ শদিয়াৰ মৃত্যুত বেয়া পোৱা নাই শাসকে। সেয়ে ৰাইজৰ এনে হায়ে-বিয়ে কাণত পৰা নাই ৰজাঘৰীয়াৰ।

দ্বিতীয়তে, এই চৰকাৰে যদি ইচ্ছা কৰিয়েই ইচ্যু ডাইভাৰ্ট কৰিব খোজে, তেনেহ'লে ৰাজীৱ শদিয়াৰ মৃত্যু তেওঁলোকৰ বাবে আশীৰ্বাদ। উমৰাংছুৰ ট্ৰেজেডি চৰকাৰৰ নাকৰ ওপৰৰ পানী। মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ দেবলাল গাৰ্লোচাৰ পত্নী কণিকা হোজাই এই ঘটনাৰ মুল অভিযুক্ত। ইতিমধ্যে কণিকা হোজাইৰ গ্ৰেপ্তাৰৰ দাবীও উঠিছে। স্বায়ত্ব শাসিত পৰিষদৰ পৰা কেন্দ্ৰলৈকে নিজৰ দলৰ চৰকাৰ। সেয়ে কণিকা হোজাইক ৰক্ষণাবেক্ষণ দিয়া বুলি মানুহে মুকলিকৈ সমালোচনা কৰিছে। উচ্চতম ন্যায়ালয়ে নিষিদ্ধ কৰা ৰেট হ'ল মাইনিং অসমত কেনেকৈ চলি আছে বুলিও মুখ্যমন্ত্ৰীক সমালোচনা কৰিছে। কিন্তু ইয়াৰ উত্তৰ চৰকাৰৰ হাতত নাই। তেনে সময়তে অসমীয়া জাতি এই দুৰ্ভাগ্যজনক ঘটনাৰ সন্মুখীন হ'ব লগীয়া হ'ল। স্বাভাৱিকতেই ৰাজীৱ শদিয়াক ভালপোৱা মানুহখিনি জাতীয়তাবাদী ভাৱধাৰাৰ আৰু ৰাজনৈতিকভাৱে সচেতন মানুহ। এতিয়া এই মানুহখিনি তেওঁৰ বিয়োগত মৰ্মাহত। এজন গণশিল্পীৰ মৃত্যুত মানুহে দুখ প্ৰকাশ কৰি থকাৰ সময়ত কণিকা হোজাই এটা পাহৰণি হৈ পৰিছে।

ইয়াৰ অৰ্থ এইটোৱো নহয় যে ৰাজীৱ শদিয়াৰ মৃত্যুত দুখ কৰিব নালাগে। কিন্তু তাৰ সমান্তৰালকৈ উমৰাংছুৰ প্ৰতিও মন দি থকা ভাল হ'ব। কাৰণ ক্ষমতাৰ অপব্যৱহাৰ কৰি দুখীয়াক শোষণ কৰাৰ বিৰুদ্ধে ৰাজীৱ শদিয়া সদায় সজাগ আছিল। উমৰাংছু তেনে এটা শোষণৰ নাম।

মানুহ মৰণশীল। তেনেকৈ বিপ্লৱীৰো মৃত্যু হয়। কিন্তু বিপ্লৱী জীয়াই থাকে জীৱনকালত তেওঁ দেখুৱাই যোৱা আদৰ্শৰে। আহক ৰাজীৱ শদিয়াৰ আদৰ্শ জীয়াই ৰাখো।

**(লেখক ক্ৰছকাৰেণ্টৰ সাংবাদিক)**

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সৰুপথাৰত গ্ৰেনেড উদ্ধাৰ

নগৰত থকা সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ বাসগৃহৰ সমীপত আজি দিনৰ প্ৰায় ১২ বজাত দুটাকৈ সন্দেহজনক গ্ৰেনেড উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, আজি দুপৰীয়া বিধায়কগৰাকীৰ বাসভৱনৰ কাষত থকা মৃদুল বুঢ়াগোহাঁইৰ এটা পৰিত্যক্ত ভঁৰাল ঘৰ ভাঙোতে দুটা হেণ্ড গ্ৰনেড উদ্ধাৰ হয়। ঘটনাৰ খবৰ লাভ কৰি আৰক্ষী ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হৈ গোলাঘাটৰ ব'ম নিষ্ক্ৰিয়কাৰী দলক খবৰ দিয়াৰ লগতে তদন্ত আৰম্ভ কৰিছে। এই প্ৰতিবেদন যুগুত কৰা পৰলৈকে আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীৰ দল সাজু হৈ আছে যদিও ব'ম স্কোৱাড সৰুপথাৰত উপস্থিত হোৱা নাই। উল্লেখ্য যে সন্দেহজনক উক্ত গ্ৰেনেড দুটা মামৰে ধৰা অৱস্থালৈ লক্ষ্য ৰাখি বহু পুৰণি বুলি অনুমান কৰা হৈছে। কোনে কি উদ্দেশ্যৰে গ্ৰনেডকেইটা উক্ত পৰিত্যক্ত ঘৰটোত ৰাখিছিল সেয়া আৰক্ষীৰ তদন্তৰ অন্ততহে জানিব পৰা যাব। ঘটনাস্থলীত উপস্থিত আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে ব'ম স্কোৱাড আহি পালে উক্ত ঠাইত আৰু কিবা বিস্ফোৰক আদি আছে নেকি সেয়া পৰীক্ষা কৰাৰ অন্তত পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। গণৰাজ্য দিৱসৰ প্ৰাক্কক্ষণত নগৰখনৰ মাজমজিয়াত এনেদৰে এগৰাকী বিধায়কৰ ঘৰৰ সমীপত গ্ৰেনেড উদ্ধাৰ হোৱা ঘটনাই বিভিন্ন মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তীৰ্থনগৰী হাজোত পৰম্পৰাগত মণিকূট

সমাজত বিলাই দিবলৈ আজিৰে পৰা তীৰ্থনগৰী হাজোৰ ঐতিহাসিক পোৱামক্কা দৰগাহ আৰু হয়গ্ৰীৱ মাধৱ মন্দিৰত আৰম্ভ হৈছে এমাহযোৰা মহামিলনৰ পৰাম্পৰাগত উৎসৱ ক্ৰমে মাঘীমেলা তথা উৰুচমেলা আৰু মণিকূট উৎসৱ। এই উপলক্ষে দূৰ-দূৰণিৰ পৰা অহা পৰ্যটক, তীৰ্থযাত্ৰী আৰু ভক্তপ্ৰাণ ৰাইজৰ ব্যাপক সমাগমত উদুলি-মুদুলি হৈ পৰিছে হাজোৰ চৌপাশৰ পৰিৱেশ। কিয়নো সন্মুখা-সন্মুখিকৈ থকা দুই পীঠস্থান ঐতিহাসিক পোৱামক্কা দৰগাহৰ পৰা ভাহি অহা ইছলামধৰ্মী লোকৰ আজানৰ ধ্বনি, হয়গ্ৰীৱ মাধৱ মন্দিৰৰ পৰা ভাহি অহা হিন্দুধৰ্মালম্বী লোকৰ শংখ ধ্বনিৰে সৈতে বিলীন হৈ পৰা মহাক্ষণতে নিতৌ সাৰ পাই উঠা হাজোবাসী ৰাইজৰ মহামিলনৰ এই উৎসৱক লৈ স্বত:স্ফূৰ্ত উৎসাহ-উদ্দীপনাৰ যেন অন্ত নাই। হিন্দু-মুছলমানৰ অপূৰ্ব সম্প্ৰীতি-সমন্বয়ৰ স্মৃতিক চিৰযুগমীয়া কৰি ৰখাৰ প্ৰয়াস হিচাপে তীৰ্থনগৰী হাজোত ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা অনুষ্ঠিত হৈ আহিছে মাঘীমেলা তথা উৰুচমেলা আৰু মণিকূট উৎসৱ। ইফালে সেই অপূৰ্ব সমন্বয়-সম্প্ৰীতিৰ আদৰ্শক বিশ্ব দৰবাৰত বহুল প্ৰচাৰৰ বাবে কালক্ৰমত মণিকূট উৎসৱ উপলক্ষে হাজো আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতিবছৰে পহিলা মাঘত অনুষ্ঠিত কৰি আহিছে বৰ্ণিল সমন্বয়-সাংস্কৃতিক শোভাযাত্ৰা। সম্প্ৰতি বিশ্বৰ এক বিৰল নিদৰ্শন হিচাপে চিহ্নিত হৈ পৰা তীৰ্থনগৰী হাজোৰ এই বৰ্ণিল সমন্বয়-সাংস্কৃতিক শোভাযাত্ৰা এইবেলিও আজি ঐতিহাসিক পোৱামক্কা দৰ্গাহৰ নামনিৰ মুখ্য তোৰণৰ তলৰ পৰা শুভাৰম্ভ কৰি প্ৰায় ডেৰ কিলোমিটাৰ দূৰত্বত অৱস্থিত হয়গ্ৰীৱ মাধৱ মন্দিৰ প্ৰাংগণত সফল সামৰণি পেলায়। হাজোবাসী ৰাইজৰ স্বত:স্ফূৰ্ত সহযোগত হাজো আছুৰ উদ্যোগত আজি দিনৰ এঘাৰ বজাত উলিওৱা এই বৰ্ণিল সাংস্কৃতিক-সমন্বয় শোভাযাত্ৰাৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে ঐতিহাসিক পোৱামক্কা দৰ্গাহৰ খাদিম আলহাজ চৈয়দ ফৰিদ আলী আৰু হয়গ্ৰীৱ মাধৱ মন্দিৰৰ দলৈ শিৱ প্ৰসাদ শৰ্মাই। এই শোভাযাত্ৰাত অংশগ্ৰহণকাৰী কেইবা সহস্ৰাধিক লোকৰ মাজত আছিল ক্ৰমে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, ভাৰপ্ৰাপ্ত সম্পাদক চৰ্জুন হান্সে, অসমৰ বিশিষ্ট কণ্ঠশিল্পী দিক্ষু, বিহু সম্ৰাট খগেন গগৈ, কণ্ঠশিল্পী দিপলীনা, আইলিতা কাশ্যপ আদিয়ে। ইয়াৰ উপৰিও বৰ্ণিল সাংস্কৃতিক-সমন্বয় শোভাযাত্ৰাত অংশগ্ৰহণ কৰা তীৰ্থনগৰী হাজোৰ বিভিন্ন অঞ্চলৰ কেইবাটাও সাংস্কৃতিক দলে মূলপথৰ দুয়োকাষে দুশাৰীকৈ জিকিৰ-জাৰি পৰিৱেশন কৰি, গায়নে-বায়নে খোল-তাল লৈ, আয়তীসকলে নামকীৰ্তন কৰি, বিহুৱা দলে নাচি-বাগি আৰু একাংশ যুৱতীয়ে পাট-মুগাৰ সাজ পৰিধান কৰি ককালত পিতলৰ কলহলৈ আগবাঢ়ি যোৱা মনোৰম দৃশ্যই পথৰ দুয়োকাষে আগ্ৰহেৰে ৰৈ থকা সদৌটি ৰাইজৰ মন মোহিত কৰে। বিশেষকৈ শোভাযাত্ৰাকাৰী দলটোক প্ৰতিটো পৰিয়ালে পদুলি মুখত ৰৈ দুহাত জোকাৰি আদৰণি জনোৱা দৃশ্য সঁচাকৈ আছিল অপূৰ্ব। ইফালে ঐতিহাসিক পোৱামক্কা দৰ্গাহৰ নামনিৰ মূল তোৰণৰ তলৰ পৰা আৰম্ভ হৈ প্ৰায় ডেৰ কিলোমিটাৰ পথ অতিক্ৰমি হয়গ্ৰীৱ মাধৱ মন্দিৰ প্ৰাংগণৰ দোমোঠাৰগুৰিত অন্ত পৰা বিশাল সাংস্কৃতিক-সমন্বয় শোভাযাত্ৰাৰ শেষত দিনৰ প্ৰায় ১২ বজাত হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰাণজিৎ দেউৰীয়াৰ পৌৰোহিত্বত অনুস্থিত হয় এক মুকলি সভা। এই সভা শুভ উদ্বোধন কৰি কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৰজ্যোতি দাসে কয়, হাজোৰ সমন্বয় পৃথিৱীৰ ভিতৰতে বিৰল। কিয়নো হাজোৰ হিন্দুৰ ধৰ্মীয় পীঠস্থান পঞ্চতীৰ্থৰ দলৈ সহ পৰিচালনা সমিতি গঠনৰ নিৰ্বাচনী প্ৰক্ৰিয়াত হিন্দুধৰ্মালম্বীৰ লগতে ইছলামধৰ্মী লোকেও সমানে অংশগ্ৰহণ কৰে। হাজোৰ এই সমন্বয়-সম্প্ৰীতিৰ মহানবাণী বিশ্বৰ বুকুত বিলাই দিবলৈ আছুৱে যি প্ৰচেষ্টা লৈ আহিছে সেয়া অদূৰ ভৱিষ্যতেও অব্যাহত থাকিব। যুগ যুগ ধৰি হাজোৱে বিশ্বাস-জনশ্ৰুতি আৰু ধৰ্মীয় সংকীৰ্ণতাৰ প্ৰতীক হিচাপে বিৰল নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। সভাত অংশ গ্ৰহণ কৰি আছুৰ সভাপতি উৎপল শৰ্মাই বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰি কয়, তীৰ্থনগৰী হাজো হৈছে শান্তি-সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক। সমাজমুখী চিন্তাৰ এক প্ৰতিফলন হৈছে হাজোৰ সমন্বয় শোভাযাত্ৰা। হাজোৰ এই সমন্বয় শোভাযাত্ৰা শান্তি-সম্প্ৰীতিৰ বাৰ্তা লৈ সদায় জীয়াই থাকিব। জাতীয় জীৱনক শক্তিশালী কৰাৰ এক জলন্ত নিদৰ্শন হাজোৰ সমন্বয় শোভাযাত্ৰা। জাতি জনগোষ্ঠীৰ মাজত ভাগ ভাগ কৰিবলৈ চেষ্টা কৰা সাম্প্ৰদায়িক শক্তিক এই সমন্বয় শোভাযাত্ৰাই ওফৰাই আহিছে। জাতি, ধৰ্ম, ভাষা, বৰ্ণ ডাঙৰ কথা নহয়। মানৱতাবোধ জীয়াই ৰখাটোৱে সমন্বয়। ইতিহাসৰ পাতত মানৱতা বিৰোধী পৰিপন্থী বহু ঘটনা দেখিবলৈ পাওঁ যদিও হাজোত তেনে ঘটনাৰ দৃষ্টান্ত পাবলৈ নাই। সমন্বয়-সাংস্কৃতিক শোভাযাত্ৰাত জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে অংশ গ্ৰহণ কৰি প্ৰতীয়মান কৰিলে যে, আমাৰ মাজত কোনো ভেদাভেদ নাই। ভাষা-সংস্কৃতিক লৈ গৌৰৱ বোধ কৰিব নোৱাৰিলে জাতি এটা জীয়াই থাকিব নোৱাৰে। সেয়ে প্ৰতিগৰাকী ব্যক্তিয়ে নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি দায়বদ্ধতা প্ৰদৰ্শন কৰিব লাগিব। "পূণ্যভূমি হাজো, হাজো আমাৰ তীৰ্থ" শীৰ্ষক সমবেত সংগীতৰে শুভাৰম্ভ সভাত বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক চৰ্জুন হান্সেই ভাষণ প্ৰসংগত কয়, অসমৰ স্বাভিমান হাজো অসমীয়া সমাজ জীৱনৰ সত্বা। সম্প্ৰীতি আৰু সমন্বয়ৰ জলন্ত নিদৰ্শন হাজোৰ মণিকূট উৎসৱ আৰু সমন্বয় শোভাযাত্ৰাই প্ৰমাণ কৰিছে, জাতি, ধৰ্ম, বৰ্ণৰ নামত আমাৰ মাজত বিভাজন নাই। যিটো সময়ত বাবৰি মছজিদ ধ্বংস কৰা হৈছিল, সেই সময়তে মণিকূট উৎসৱত সমন্বয়-সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হৈছিল। যি সমন্বয় শোভাযাত্ৰাই জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সাম্প্ৰদায়িক সম্প্ৰীতিৰ নিদৰ্শন অসম, ভাৰত তথা বিশ্বৰ বুকুত দাঙি ধৰিবলৈ সমৰ্থ হৈছে। বিশ্বভাতৃত্বৰ এক উৎকৃষ্ট নিদৰ্শন হ'ল হাজোৰ সমন্বয় শোভাযাত্ৰা। অসমৰ বিভেদকামী শক্তিয়ে হাজোৰ সমন্বয় শোভাযাত্ৰাৰ পৰা শিকনি লোৱা উচিত। মানৱীয় দৃষ্টিৰে সকলোৱে আগবাঢ়ি গলে ধৰ্মীয় মেৰুকৰণে গা-কৰি উঠিব নোৱাৰে। বিশ্বশান্তি-সম্প্ৰীতিৰ উৎকৃষ্ট নিদৰ্শন তীৰ্থনগৰী হাজোৰ সমন্বয় শোভাযাত্ৰা। ইপিনে মণিকূট উৎসৱ উপলক্ষে পুৱাৰ ভাগত আছুৰ পতাকা উত্তোলন কৰে হাজো আছুৰ সভাপতি প্ৰাণজিৎ দেউৰীয়া আৰু শ্বহীদ তৰ্পণ কৰে সাধাৰণ সম্পাদক আতিকুৰ ৰহমানে। এনেকৈয়ে স্থানীয় ৰাইজৰ স্বত:স্ফূৰ্ত সহযোগে শান্তি-সম্প্ৰীতিৰ এই উছৱক প্ৰদান কৰিছে অনন্য মাত্ৰা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহুৰ মাজতে যুৱকক মৰিয়াই মৰিয়াই

কোকৰাঝাৰ জিলাৰ চিথিলা উপ আৰক্ষী চকীৰ অন্তৰ্গত চিতিলাঘোপত আজি এজন যুৱকৰ মৃত্যুক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। মৃত্যু হোৱা যুৱকজন চিথিলাঘোপৰ আনোৱাৰ হুছেইনৰ পুত্ৰ আয়ুৱ আলি (২২) বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি অনুসৰি তথা স্থানীয় জহৰুল ইছলামে সদৰী কৰা মতে আজি বেলি ডুব যোৱাৰ সময়তে তেওঁৰ সম্পৰ্কীয় ভতিজা আয়ুৱ আলি ক্ৰিকেট খেলি উভতি অহাৰ সময়তে চিথিলাঘোপত দুৰ্কৃতিকাৰীয়ে পূৰ্বপৰিকল্পিতভাৱে আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰে। আয়ুৱ আলিক উদ্ধাৰ কৰি প্ৰথমে চিথিলাৰ চিকিৎসালয় আৰু তাৰপিছত উন্নত চিকিৎসাৰ বাবে কোকৰাঝাৰৰ এখন ব্যক্তিগতখণ্ডৰ নাৰ্ছিংহোমত ভৰ্তি কৰোৱা হয় যদিও নাৰ্ছিংহোমত চিটি স্কেন কৰাৰ সময়তে আয়ুৱ আলিয়ে কৰুণ মৃত্যুক আঁকোৱালি লয়। তেওঁ অভিযোগ কৰা মতে চিথিলাঘোপৰ নুৰ ইছলামৰ নৱনিৰ্মিত বাসগৃহৰ সন্মুখতে আয়ুৱ আলিক দুৰ্কৃতিকাৰীয়ে ইটাৰে মূৰৰ পিছফাল আৰু চকুত মাৰি গুৰুতৰ অৱস্থাত পেলাই থয় আৰু তাৰপিছতে ৰাইজে উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰায় যদিও আয়ুৱ আলিয়ে কৰুণ মৃত্যুক সাৱতি লয়। বাতৰি লিখা পৰলৈ আয়ুৱ আলিৰ মৃতদেহ কোকৰাঝাৰৰ ব্যক্তিগতখণ্ডৰ নাৰ্ছিংহোমখনতে আছে আৰু ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে বৰ্তমানলৈ সংবাদমাধ্যমৰ আগত কোনো কথা প্ৰকাশ কৰা নাই। ভোগালীৰ আনন্দ চলি থকাৰ মাজতে সংঘটিত উক্ত ঘটনাই চিথিলা অঞ্চলত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে আৰু বাতৰি লিখা পৰলৈকে ঘটনাটোক লৈ উত্তেজনা অব্যাহত আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাষ্ট্ৰীয় পৰ্যায়ত হিমন্তক বদনামী কৰিলে

একালৰ সাংবাদিক তথা বৰ্তমানৰ জনপ্ৰিয় ইউটিউবাৰ শ্যাম মীৰা সিঙে অসমৰ মুখ্যমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে উত্থাপন কৰা বিভিন্ন অভিযোগে খলকনি তুলিছে ৰাজনৈতিক মহলত। ছাত্ৰাৱস্থাৰ ৰাজনীতিৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক গুৰু ভৃগু কুমাৰ ফুকনক লেং মাৰি নিজে বিধায়ক হোৱাৰ লগতে আলফাৰ নামত ধনবাদীৰ অভিযোগৰ পৰা মানবেন্দ্ৰ শৰ্মা হত্যাকাণ্ডত নাম সাঙোৰ খাই পৰালৈকে হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক আৰু সাংগঠনিক দিশ উজাগৰ কৰি ইউটিউবাৰ শ্যাম মীৰা সিঙে উত্থাপন কৰা অভিযোগে সামাজিক মাধ্যমত সৃষ্টি কৰিছে প্ৰতিক্ৰিয়াৰ। ইতিমধ্যে অসমৰ মুখ্যমন্ত্ৰীগৰাকীক লৈ বহিঃৰাজ্যৰ এই ইউটিউবাৰজনে প্ৰস্তুত কৰা ইউটিউব ভিডিঅ'ত আহিছে লক্ষ লক্ষ ভিউজ। হিন্দীত প্ৰস্তুত কৰা এই ভিডিঅ'ৰ কমেন্ট বক্সত ভিন্নজনে প্ৰকাশ কৰিছে প্ৰতিক্ৰিয়া। শ্যাম মীৰা সিঙে তেওঁৰ ভিডিঅ'ত অভিযোগ কৰা অনুসৰি আলফা স্বাধীনৰ সৈতে গভীৰভাৱে জড়িত আছিল হিমন্ত বিশ্ব শৰ্মা। ছাত্ৰ জীৱনৰ সময়তে আছুৰ প্ৰতি প্ৰভাৱিত হোৱা হিমন্ত বিশ্ব শৰ্মাই কটন কলেজত পঢ়ি থকা সময়তে জড়িত হৈ পৰিছিল স্বাধীন অসমৰ দাবী তোলা সংযুক্ত মুক্তি বাহিনী অসমৰ সৈতে। ইউটিউবাৰগৰাকীয়ে তথ্যসহ দাবী কৰে যে কটন কলেজত পঢ়ি থকা সময়ত হিমন্ত বিশ্ব শৰ্মাৰ হোষ্টেলৰ কোঠাৰ পৰা উদ্ধাৰ হৈছিল পিষ্টল আৰু গুলী। ইয়াৰ বাবে তেওঁৰ বিৰুদ্ধে গোচৰো ৰুজু কৰা হৈছিল। আনহাতে হিমন্ত বিশ্ব শৰ্মাই আলফাৰ নাম লৈ ব্যৱসায়ীৰ পৰা ধন দাবী আৰু আলফাৰ জৰিয়তে ৰাজনৈতিক প্ৰতিদ্বন্দ্বীক হত্যা কৰা বুলিও বিস্ফোৰক অভিযোগ আনিছে সাংবাদিক-ইউটিউবাৰ শ্যাম মীৰা সিঙে। কংগ্ৰেছৰ নেতা মানৱেন্দ্ৰ শৰ্মাৰ হত্যাৰ সৈতেও হিমন্ত বিশ্ব শৰ্মা জড়িত থকাৰ অভিযোগ কৰে ইউটিউবাৰজনে। ২০১৩ চনত সাৰদা চিট ফাণ্ড কেলেংকাৰীত হিমন্ত বিশ্ব শৰ্মাৰ নাম সাঙোৰ খাই পৰাৰ পৰা অসমত বাধাহীন ব্যৱসায়ৰ বাবে ধন বিচৰা বুলি সুদীপ্ত সেনে উত্থাপন কৰা অভিযোগলৈকে হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে বহু কেলেংকাৰীৰো অভিযোগ উত্থাপন কৰিছে ইউটিউবাৰ শ্যাম মীৰা সিঙে। তদুপৰি তেওঁৰ পত্নীৰ কোম্পানী আৰ বি এছ ৰিয়েল্টৰছৰ বিৰুদ্ধে গুৱাহাটীৰ এটা প্ৰাইম লকেচনত অবৈধভাৱে মাটি দখল কৰা বুলিও অভিযোগ কৰে ইউটিউবাৰজনে। আনহাতে পত্নী ৰিণিকি ভূঞা শৰ্মাক খাদ্য সংসাধন কাৰখানা স্থাপনৰ বাবে ১ কোটি টকাৰ চৰকাৰী ৰাজহাসাজ্য প্ৰদানক লৈও প্ৰশ্ন উত্থাপন কৰে শ্যাম মীৰাই। গুৱাহাটীত উৰণ সেতু মুকলি কৰাৰ পাঁচ মাহ পিছত কিদৰে সেই সেঁতুৰ নিবিদা হিমন্ত বিশ্ব শৰ্মাৰ আত্মীয়ক দিয়া হ'ল সেই প্ৰশ্ন উত্থাপন কৰি শ্যাম মীৰা সিঙে অভিযোগ কৰে যে হিমন্ত বিশ্ব শৰ্মা কংগ্ৰেছৰ চৰকাৰত স্বাস্থ্যমন্ত্ৰী হৈ থাকোতে হাৱালাৰ জৰিয়তে আলফা, ডি এইচ ডি জেৰ দৰে নিষিদ্ধ সংগঠনক শিক্ষা, বিকলাংগ সকলৰ বাবে আৱণ্টিত চৰকাৰী পুঁজি প্ৰেৰণ কৰিছিল। আনহাতে লুইজ বাৰ্জাৰ কেলেংকাৰীত হিমন্ত বিশ্ব শৰ্মাৰ নাম সাঙোৰ খাই পৰাৰ কথাও ভিডিঅ'ত উল্লেখ কৰিছে উত্তৰ প্ৰদেশৰ ইউটিউবাৰজনে। একে সময়তে ক'ভিড-১৯ মহামাৰীৰ সময়ত তেওঁৰ পত্নীৰ কোম্পানী জেচিবি ইণ্ডাষ্ট্ৰীজক অধিক মূল্যত ৫,০০০ পিপিই কিট যোগান ধৰাৰ অৰ্ডাৰ প্ৰদানৰো অভিযোগ তোলে। হিমন্ত বিশ্ব শৰ্মাৰ শাসনত অসমত আইন-শৃংখলাৰ অৱনতি ঘটা বুলি দাবী কৰি শ্যাম মীৰা সিঙে কয় যে হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত মাদ্ৰাছা বন্ধ কৰাৰ উপৰিও মুছলমান সম্প্ৰদায়ৰ বিৰুদ্ধেও বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰিও আৰক্ষীৰ এনকাউণ্টাৰ বৃদ্ধি পোৱাৰ বাবে মানৱ অধিকাৰ সংগঠনৰ সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছে। বুলডজাৰ অভিযানত বহু মুছলমান পৰিয়ালৰ ঘৰ ভাঙি পেলোৱাৰ ফলত জনসাধাৰণৰ ক্ষোভৰ সৃষ্টি হৈছে। উল্লেখ্য যে, ইউটিউবাৰ শ্যাম মীৰা সিঙে তেওঁৰ ভিডিঅ'ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে নানান অভিযোগ উত্থাপন কৰাৰ সময়ত তুলি ধৰিছে সেই অভিযোগৰ সৈতে সম্পৰ্কিত পেপাৰ কাট, ৱেবচাইটৰ খবৰ আদিও। ইতিমধ্যে মিলিয়ন ভিউজ অতিক্ৰম কৰা এই ভিডিঅ'ৰ অসমৰ ৰাজনৈতিক মহলত ব্যাপক খলকনি তুলিছে। অসমৰ তথাকথিত নামী-দামী সাংবাদিকে মুখ ফুটাই ক'ব নোৱাৰা কথাবোৰ বহিঃৰাজ্যৰ এজন ইউটিউবাৰে নিৰ্ভীকভাৱে উদঙাই দিছে বুলিও বিভিন্নজনে মত ব্যক্ত কৰিছে। অৱশ্যে ইউটিউবাৰজনৰ এই তথ্যভিত্তিক অভিযোগ সন্দৰ্ভত এতিয়াও কোনো প্ৰতিক্ৰিয়া ব্যক্ত কৰা নাই হিমন্ত বিশ্ব শৰ্মাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সলনি হ'ল ঠিকনা! কংগ্ৰেছৰ নতুন মুখ্য

নতুন ঠিকনা হৈ পৰিল কটলা ৰোডৰ ৯এ স্থিত 'ইন্দিৰা ভৱন'। বুধবাৰে ৰাষ্ট্ৰীয় কংগ্ৰেছৰ এই নৱ নিৰ্মিত মুখ্য কাৰ্যালয়ৰ শুভ উদ্বোধন কৰে প্ৰাক্তন অধ্যক্ষা ছোনীয়া গান্ধীয়ে। এই উদ্বোধনী অনুষ্ঠানত থাকে কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে, বিৰোধী দলৰ নেতা ৰাহুল গান্ধী, সাধাৰণ সম্পাদক (সংগঠন) কে চি বেনুগোপাল, কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্ধাৰমাইয়া, তেলেংগানা কংগ্ৰেছৰ সভাপতি ৰেৱন্ত ৰেড্ডী, হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখৱিন্দৰ সিং সুখু, সাংসদ প্ৰিয়ংকা গান্ধী বাদ্ৰাকে ধৰি কংগ্ৰেছৰ শীৰ্ষ নেতাসকল। অনুষ্ঠানত কংগ্ৰেছৰ পতাকা উত্তোলন কৰাৰ লগতে 'বন্দে মাতৰম' আৰু জাতীয় সংগীত পৰিৱেশন কৰা হয়। ইয়াৰ পিছতে অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেক লগত লৈ ভৱনটোৰ উদ্বোধন কৰে ছোনীয়া গান্ধীয়ে। উল্লেখ্য যে, কংগ্ৰেছৰ এই মুখ্য কাৰ্যালয়ৰ ভৱনটো প্ৰাক্তন প্ৰধামন্ত্ৰী ইন্দিৰা গান্ধীৰ নামেৰে ইন্দিৰা ভৱন ৰখা হৈছে। কংগ্ৰেছে কয় যে এই ভৱনটোৱে তেওঁলোকৰ দীৰ্ঘদিনীয়া ঐতিহ্য আৰু ভৱিষ্যতৰ দৃষ্টিভংগীৰ প্ৰতীক। প্ৰণিধানযোগ্য যে, ২০০৫-০৬ চনত উচ্চতম ন্যায়ালয়ে কংগ্ৰেছ আৰু অন্যান্য ৰাজনৈতিক দলসমূহক মুখ্য কাৰ্যালয় লুটিয়েনছ বাংগালোৰ অঞ্চলৰ বাহিৰলৈ স্থানান্তৰিত কৰিবলৈ নিৰ্দেশ দিছিল। সেই অনুসৰি কটলা ৰোডত কংগ্ৰেছে নতুন মুখ্য কাৰ্যালয় স্থাপন কৰিছে। ২৪, আকবৰ ৰোডত থকা কংগ্ৰেছৰ পুৰণি মুখ্য কাৰ্যালয়টোত অৱশ্যে এতিয়াও দলৰ কিছু কোষ আৰু অন্য কাম-কাজ চলি থাকিব বুলি জানিবলৈ দিয়ে কংগ্ৰেছে। ইফালে এই নতুন ভৱনটো আধুনিক সা-সুবিধাৰে নিৰ্মাণ কৰা হৈছে। লক্ষণীয় যে, আদালতৰ নিৰ্দেশৰ পিছত ২০১৮ চনত ভাৰতীয় জনতা পাৰ্টিয়ে ৭০০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিছিল দলৰ নতুন মুখ্য কাৰ্যালয়। ইয়াৰ বিপৰীতে কংগ্ৰেছৰ নতুন মুখ্য কাৰ্যালয়ৰ নিৰ্মাণত কেৱল ২৫২ কোটি টকা ব্যয় হোৱা বুলি দলৰ এক সূত্ৰই জানিবলৈ দিয়ে। কংগ্ৰেছে ১৫ বছৰ পূৰ্বেই এই নতুন ভৱনৰ নিৰ্মাণ কৰিব লাগিছিল যদিও আৰ্থিক সংকটৰ বাবে নিৰ্মাণকাৰ্য কেইবাবাৰো পিছুৱাই দিয়া হৈছিল।

# বেহাৰবাৰীত দুৰ্ঘটনাত নিহত অচিনাক্ত যুৱক, জিএমচিৰ মৰ্গত মৃতদেহ

**ই-সংবাদ, ১৫ জানুৱাৰীঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মৰ্গত পৰি ৰৈছে এজন অচিনাক্ত যুৱকৰ মৃতদেহ। মৃতদেহ চমজি ল'বলৈ কোনো অভিভাৱক অহা নাই। আৰক্ষীয়েও মৃতদেহটো এই পৰ্যন্ত চিনাক্ত কৰিব পৰা নাই। যাৰ বাবে চাৰিদিনে মৰ্গত ৰাখি থোৱা হৈছে মৃতদেহটো। গুৱাহাটীত ১২ জানুৱাৰীত সংঘটিত এক পথ দুৰ্ঘটনাত অচিনাক্ত যুৱকজনৰ মৃত্যু হৈছিল। জীৱিত অৱস্থাত জিএমচিলৈ নিয়া হৈছিল যদিও কিছু সময় পিছতে মৃত্যুক আকোৱালি লয়। মৰণোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহটো গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মৰ্গত আছে যদিও এই পৰ্যন্ত আৰক্ষীয়ে চিনাক্ত কৰিব পৰা নাই আৰু অভিভাৱকে আৰক্ষীৰ সৈতে যোগাযোগ কৰা নাই। যাৰ বাবে বিমোৰত পৰিছে গুৱাহাটী আৰক্ষী। জানিব পৰা মতে, ২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ বেহাৰবাৰী উৰণীয়া সেঁতুত এখন তীব্ৰবেগী অল্টই ৰখাই থোৱা পিকআপ ভানত খুন্দা মাৰিছিল। ফলত দুয়োখন বাহনত থকা তিনিজন লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। তিনিওকে জিএমচিলৈ প্ৰেৰণ কৰা হৈছিল যদিও এজনৰ মৃত্যু হয়। প্ৰায় ৩০ বছৰীয়া যুৱকজনে লংপেণ্ট আৰু এটা হাফ জেকেট পিন্ধি আছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। যদি অসমৰ কোনো ঠাইৰ প্ৰায় ৩০ বছৰীয়া যুৱক বিগত তিনি-চাৰিদিন ধৰি নিৰুদ্দেশ হৈ আছে তেন্তে আৰক্ষীৰ সৈতে যোগাযোগ কৰিব পাৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চাৰি বন্ধুৰ আক্ৰমণত প্ৰাণ গ'ল বন্ধুৰ

গুৱাহাটী মহানগৰীত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ৫ বন্ধুৱে একেলগে মদ্যপান কৰাৰ সময়ত প্ৰথমে তৰ্কা-তৰ্কি লাগে। তাৰ পিছতে চাৰি বন্ধুৱে বৰ্বৰভাৱে প্ৰহাৰ কৰি আন এজন বন্ধুক হত্যা কৰা হত্যাকাণ্ডক পথ দুৰ্ঘটনাৰ ৰূপ দিবলৈ প্ৰয়াস কৰিছিল যদিও আৰক্ষীৰ তদন্তত হত্যাকাণ্ডৰ ঘটনা পোহৰলৈ আহে। হত্যাৰ বলি হোৱা যুৱকজন হৈছে আকাশ চৌধুৰী। হত্যাকাণ্ডৰ অভিযুক্তসকল হৈছে বনজিৎ ৰাজবংশী, জিয়াৰুল আলী, দেৱব্ৰত মল্লিক আৰু তৰুণ বুঢ়াগোহাঁই। ইতিমধ্যে আৰক্ষীয়ে বনজিৎ, জিয়াৰুল, দেৱব্ৰত আৰু তৰুণক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। উৰুকা আৰু মাঘবিহুৰ আনন্দ উল্লাসৰ মাজতে মাঘ বিহুৰ নিশা মহানগৰীত কাহিলীপাৰাত সংঘটিত হৈছে নৃশংস হত্যাকাণ্ড। জানিব পৰা মতে, আকাশ চৌধুৰীয়ে শ্বপিং ম'লত কাম কৰাৰ লগতে ৰেপিড' চলাই। বনজিৎ, জিয়াৰুল, দেৱব্ৰত আৰু তৰুণে গুৱাহাটীত ভাড়াতীয়া হিচাপে থাকি বিভিন্ন কাম-কাজ কৰে। পাঁচ জনেই নলে-গলে লগা বন্ধু। প্ৰায়ে পাঁচোজনে সন্ধিয়াভাগত লগ লাগে। সময়ে সময়ে মদৰ অড্ডাও পাতে। মাঘ বিহুৰ সময়ত কালি নিশা পুনৰ ৫ বন্ধু লগ হৈ প্ৰথমে কাহিলীপাৰাৰ পাৱাৰ হাউচৰ সমীপৰ আইএমএলএফত সুৰা সেৱন কৰিছিল। সুৰা সেৱন কৰি থকাৰ সময়তে তৰ্কা-তৰ্কি লগাত চাৰিজনে লগলাগি বৰ্বৰভাৱে প্ৰহাৰ কৰাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আকাশ। ঘটনাৰ পিছতে জিয়াৰুলে আকাশক অটোত উঠাই হায়াত হাস্পতাললৈ নিছিল যদিও আদবাটতে মৃত্যু হয়। ইয়াৰ পিছতে ঘটনাক দুৰ্ঘটনাৰ ৰূপ দিবলৈ প্ৰয়াস কৰে চাৰি বন্ধুৱে। কিন্তু আকাশ চৌধুৰীৰ দেহত আঘাতৰ চিন স্পষ্ট হৈ পৰাত সেই প্ৰয়াস ব্যৰ্থ হৈ পৰে। চাৰি বন্ধুক গ্ৰেপ্তাৰ কৰি আৰক্ষীয়ে জেৰা কৰাত ৰহস্য ফাদিল হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্বাধীনতাক লৈ মোহন ভাগৱতৰ

বিতৰ্কিত মন্তব্যই দেশত সৃষ্টি কৰিছে এক নতুন ৰাজনৈতিক উত্তেজনাৰ। অযোধ্যাত শিশু ৰামৰ প্ৰাণ প্ৰতিষ্ঠাৰ দিনটোক দেশৰ প্ৰকৃত স্বাধীনতাৰ দিন হিচাপে পালন কৰিবলৈ আৰ এছ এছৰ মুৰব্বী মোহন ভাগৱতে জনোৱা আহ্বানৰ পিছতে দেশত বলিছে বিতৰ্কৰ ধুমুহা। মোহন ভাগৱতৰ এনে মন্তব্য দেশদ্ৰোহৰ সমান বুলি দাবী কৰি ভাগৱতক শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী জনাইছে কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে। মোহন ভাগৱতৰ এই মন্তব্য ভাৰতৰ স্বাধীনতাক অপমান আৰু ব্ৰিটিছ শাসনৰ বিৰুদ্ধে সংগ্ৰামৰ প্ৰতি অসন্মান বুলি দাবী কৰে ৰাহুল গান্ধীয়ে। দিল্লীত কংগ্ৰেছৰ নতুন দলীয় কাৰ্যালয় ইন্দিৰা ভৱনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাহুল গান্ধীয়ে কয়, "ভাগৱতৰ এই মন্তব্য বিদ্ৰোহমূলক, কাৰণ তেওঁৰ মতে ভাৰতীয় সংবিধান অবৈধ আৰু ব্ৰিটিছৰ বিৰুদ্ধে কৰা সংগ্ৰামো অবৈধ আছিল। তেওঁ যদি আন কোনো দেশত এনে মন্তব্য কৰিলেহেঁতেন তেন্তে বহু আগতেই তেওঁক গ্ৰেপ্তাৰ কৰা হ'লহেঁতেন।" তেওঁ লগতে দাবী কৰে যে, "এই মন্তব্যৰ জৰিয়তে আৰ এছ এছৰ মুৰব্বীগৰাকীয়ে ভাৰতৰ সাধাৰণ জনতাক অপমান কৰিছে। এনে চিন্তা আৰু মতাদৰ্শৰ বিৰুদ্ধে যুঁজ দিয়াৰ সময় আহি পৰিছে।" ৰাহুল গান্ধীয়ে লগতে কয়, "বৰ্তমান দেশত ন্যায়ৰ দুটা ধাৰা চলি আছে। এটা ভাৰতীয় সংবিধানৰ ওপৰত ভিত্তি কৰি, আৰু আনটো আৰ এছ এছৰ বিপৰীত দৃষ্টিভংগীৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে।" তেওঁ কয় যে বৰ্তমান কংগ্ৰেছৰ বাহিৰে আন কোনো ৰাজনৈতিক দল নাই যিয়ে বিজেপি আৰু আৰএছএছৰ এজেণ্ডা বন্ধ কৰিব পাৰে। কংগ্ৰেছ একমাত্ৰ দল যিয়ে এই আন্দোলন অব্যাহত ৰাখিব পাৰে, কাৰণ আৰম্ভণিৰে পৰা তেওঁলোকে সংবিধানক একমাত্ৰ ভিত্তি হিচাপে মানি লৈছে। উল্লেখ্য যে, সোমবাৰে ভাগৱতে ইন্দোৰত কৈছিল যে অযোধ্যাৰ ৰাম মন্দিৰত ৰামলালাৰ প্ৰাণ প্ৰতিষ্ঠা হোৱাৰ দিনটো দেশৰ প্ৰকৃত স্বাধীনতাৰ দিন হিচাপে পালন কৰা উচিত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তিনিদিনৰ মূৰত ৩টা শব্দৰে জুবিনৰ

বিহুক উৰুঙা কৰি ১২ জানুৱাৰীৰ নিশা এক সংগীত অনুষ্ঠান পৰিৱেশন কৰি থকাৰ সময়তে মঞ্চত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যুক আকোৱালি লয় বিপ্লৱী শিল্পী ৰাজীৱ শদিয়াই। এই খবৰ পোনা মাত্ৰকে বিভিন্ন মাধ্যমযোগে শোক প্ৰকাশ কৰি শিল্পীগৰাকীৰ কৰ্মৰাজিক স্মৰণ কৰিছে বিভিন্নজনে। ৰাজ্যৰ দল-সংগঠন আৰু একাংশ শিল্পীয়ে শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। অৱশ্যে একাংশ গ্লেমাৰ থকা শিল্পী আৰুএকাংশ ৰজাঘৰীয়া শিল্পী ৰাজীৱ শদিয়াৰ মৃত্যুত ৰহস্যজনকভাৱে নিশ্চুপ হৈ থকাক লৈ সচেতন নেটিজেনৰ মাজত প্ৰশ্নৰ উদয় হোৱা দেখা গৈছিল। বিশেষকৈ যিকোনো কথাতে সততে মাত মাতি অহা তথা নিজকে ছ'চিয়েলিষ্ট শিল্পী আখ্যা দিয়া জুবিন গাৰ্গে ৰাজীৱ শদিয়াৰ দৰে এগৰাকী বিপ্লৱী শিল্পীৰ মৃত্যুত তাৎক্ষণিক কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰাত ৰাজ্যৰ নেটিজেনসকলৰ লগতে তেওঁৰ একাংশ অনুৰাগীও আচৰিত হৈ পৰিছিল। তাৎক্ষণিক প্ৰতিক্ৰিয়া বাদেই, বিগত তিনিটা দিনে সংবাদমাধ্যমত তথা সামাজিক মাধ্যমযোগে এই লৈ টু শব্দ এটাও কোৱা নাছিল হকে-বিহকে সৰব হৈ ভালপোৱা জুবিন গাৰ্গে। বিষয়টোক লৈ ছ'চিয়েল মিডিয়াত ভিন্নজনে জুবিন গাৰ্গক প্ৰশ্ন কৰাৰ লগতে সমালোচনাৰেও থকা-সৰকা কৰে। এইবোৰৰ মাজতে অৱশেষত আজি জুবিন গাৰ্গে অতি চুটিকৈ মাথো তিনিটা শব্দ লিখি শিল্পী ৰাজীৱ শদিয়াক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জুবিন গাৰ্গে তেওঁৰ অফিচিয়েল ফেচবুক পেজত 'Rest in peace Brother' বুলি লিখি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। জুবিন গাৰ্গে তিনিটা দিনৰ মূৰকত এনেদৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাত একাংশ নেটিজেনে শিল্পীগৰাকীক ওভতি ধৰিছে। জুবিন গাৰ্গে তিনিদিনৰ মূৰত সাৰ পালে নেকি বুলিও প্ৰশ্ন কৰিছে ভিন্নজনে। বিভিন্ন জনে জুবিন গাৰ্গে অসমৰ এগৰাকী জাতি, মাটিৰ হকে গীত গোৱা শিল্পীৰ মৃত্যুত নিশ্চুপ হৈ থকা কাৰ্যক তীব্ৰ সমালোচনা কৰিছে। জয়ন্ত শইকীয়া নামৰ এগৰাকী লোকে কয়, "দেৰি হ'ল, ইতিমধ্যে সকলোৱে বুজি উঠিছে।" ত্ৰিদেৱ গগৈয়ে লিখিছে, "ছচিয়েলিষ্ট মনৰ মানুহে বৰ দেৰিকৈ সাৰ পালে।" ৰাম স্বামী গৌতমানন্দই কয়, "নিচা ফাটিল নে কুম্ভকৰ্ণ নিদ্ৰাৰ পৰা সাৰ পালে নে মামাৰ পাৰ্মিছন লৈ আপডেটটো দিলে হে গুৰুজী?" ধনীৰাম চেতিয়া নামৰ এজনে ফেচবুকত লিখিছে, "যিমানেই যি অৱদান নহওঁক কিয় ৰাইজৰ উৰ্দ্ধত কোনো নহয় দাদা। ৰাইজে গলত তুলি ল'বও পাৰে, খেকেচি বহুৱাবও পাৰে। তাৰ উদাহৰণ নকলেও হ'ব চাগে। পলমকৈ হলেও সাৰ পোৱা বাবে ধন্যবাদ।" গৌৰাংগ বৰাই কয়, "সোনকালে গম পালে দাদা, দুদিন চাগে বিহু বুলি নিচাত ডুবি শুই আছিল! নে সমবেদনা জনাবলৈ কাৰোবাৰ অনুমতি পোৱা নাছিল।"

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গীতেৰে জাতিক জগাই গ'লগৈ ৰাজীৱ

জাতি, মাটিক ভালপোৱা এক বিপ্লৱী শিল্পী সত্তা। মাঘৰ উৰুকাক উৰুঙা কৰি অচিন দেশলৈ গুচি গ'ল জনগণৰ বাবে গীত গাই যোৱা শিল্পীগৰাকী। জীৱিতকালত জাতিৰ বাবে কৰা কামৰ অৱদান পালে মৃত্যুৰ দিনটোত। জনতাই মাঘবিহু পালন নকৰি ৰাজীৱ শদিয়াৰ অন্তিম যাত্ৰাত ভাগ ল'বলৈ পুৱাই ঘৰৰ পৰা ওলাই আহিল। গায়ন-বায়নেৰে এক বৃহৎ সমদল কৰি হাজাৰ হাজাৰ জনগণে চলচলীয়া চকুৰে চিৰবিদায় জনালে মৰমৰ শিল্পীগৰাকীক। ছ'চিয়েল মিডিয়াতো শদিয়াৰ পৰা ধুবুৰীলৈ সমগ্ৰ অসমৰ নেটিজেনে শিল্পীগৰাকীক হৃদয়ৰ নিভৃত কোণৰ পৰা জনালে শেষ শ্ৰদ্ধা। বিদায় কালত সকলোৰে অন্তৰত শোকৰ ঢৌ তোলা এইগৰাকী আপোচহীন শিল্পীয়ে জীৱিতকালত পেটত গামোচা বান্ধি স্বদেশ-স্বজাতিৰ হকে গাই গৈছিল ইটোৰ পিছত সিটো গীত। নিজাকৈ এখন গাড়ী, এটা ভাল পকীঘৰ তথা আৰ্থিক স্বচ্ছতা নথকা স্বত্বেও অসমৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ ভ্ৰমি গাই গৈছিল বিপ্লৱী গীত। প্ৰয়াস কৰিছিল শুই থাকি ভালপোৱা জাতিটোক গীতেৰে জগাই তুলিবলৈ। এনেদৰে গীত গাই থকা অৱস্থাতে ১২ জানুৱাৰীৰ নিশা তিনিচুকীয়া জিলাৰ ফিল'বাৰীত অনুষ্ঠিত ৰসবাৰী পৰ্যটন মেলাত হৃদৰোগত আক্ৰান্ত হৈ হঠাৎ ঢলি পৰে শিল্পীগৰাকী। গীত গাই গাই মঞ্চতে ঢলি পৰা শিল্পীগৰাকীক ততাতৈয়াকৈ ডুমডুমাৰ সমীপৰ ৰূপাইৰ এখন ব্যক্তিগত নাৰ্ছিং হোমলৈ অনা হয় যদিও উন্নত চিকিৎসাৰ বাবে নিশাই ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ আইচিইউত ভৰ্তি কৰা হয়। অসম চিকিৎসা মহাবিদ্যালয়ৰ আইচিইউৰ পৰা সুস্থ হৈ গীত গাবলৈ আৰু ঘূৰি অহা নহ'ল শিল্পীগৰাকীৰ। চিকিৎসাধীন অৱস্থাতেই উৰুকাৰ দিনা অৰ্থাৎ ১৩ জানুৱাৰীৰ দুপৰীয়াৰ ভাগত শেষ নিশ্বাস ত্যাগ কৰে জনপ্ৰিয় কণ্ঠশিল্পী ৰাজীৱ শদিয়াই। ভোগালীৰ বিহুৰ আনন্দ-উল্লাসৰ মাজতেই আকস্মিক মৃত্যুক আঁকোৱালি লোৱা জনতাৰ শিল্পীগৰাকীৰ নশ্বৰ দেহ অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰা এখন পুষ্পসজ্জিত গাড়ীত প্ৰথমে তিনিচুকীয়ালৈ অনা হয় য'ত বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে বিভিন্ন ক্ষেত্ৰৰ ব্যক্তি তথা গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তিনিচুকীয়ালৈ অনাৰ পূৰ্বে অসম চিকিৎসা মহাবিদ্যালয়ত গুণমুগ্ধ তথা বিভিন্নজনে গণশিল্পীগৰাকীক শেষ শ্ৰদ্ধাঞ্জলি যাচে। তিনিচুকীয়াৰ পৰা শদিয়া অভিমুখী যাত্ৰাত মাকুম, ডুমডুমা, তালাপ, ধলা (ছৈখোৱা) আদিতো জাতি-মাটিৰ গান গোৱা বিপ্লৱী শিল্পী ৰাজীৱ শদিয়াৰ নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অশেষ গুণমুগ্ধ তথা দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে। মাজনিশা পৰ্যন্ত শদিয়াৰ সদৰ চপাখোৱাৰ ৰাজহুৱা খেলপথাৰস্থিত মুকলি মঞ্চত মৰমৰ শিল্পীগৰাকীক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছত শিল্পীগৰাকীৰ জন্মস্থান টুপচিঙা গাঁৱলৈ নশ্বৰ দেহ লৈ যোৱা হয়। ১৪ জানুৱাৰী অৰ্থাৎ মাঘ বিহুৰ দিনা কাহিলী পুৱাৰে পৰাই মৰমৰ শিল্পী গৰাকীক শেষ শ্ৰদ্ধাঞ্জলি জনাবলৈ হাজাৰ হাজাৰ গুণমুগ্ধৰ সোঁত বয় টুপচিঙা গাঁৱলৈ। টুপচিঙা গাঁৱত দুপৰীয়া শিল্পীগৰাকীৰ অন্তেষ্টিক্ৰিয়াৰ সমান্তৰালকৈ অনুষ্ঠিত হয় এক বিশাল ৰাজহুৱা শোক সভা। এই শোক সভাত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, দীপংকৰ সোণোৱাল, ৰাইজৰ দলৰ উপ-সভাপতি যুধিষ্ঠিৰ গগৈ, পথাৰ শিল্পী লোহিত গগৈ, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ একাংশ নেতা, বিষয়ববীয়া-কৰ্মী, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ উমানন্দ মুদৈ মৰাণ, ৰাহুল চেত্ৰী, গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যাপিকা জ্ঞানশ্ৰী বৰাৰ উপৰিও জাতীয়-জনগোষ্ঠীয় দল-সংগঠনৰ লগতে সদৌ অসম ছাত্ৰ সন্থাকে প্ৰমুখ্যে কৰি ভালেকেইটা ছাত্ৰ সংগঠনৰ বিষয়ববীয়া-প্ৰতিনিধিৰ লগতে শদিয়াৰ বিশিষ্ট ব্যক্তি, স্থানীয় ৰাইজ আৰু বিভিন্ন প্ৰান্তৰ পৰা যোৱা লোক উপস্থিত থাকে। সভাত লুৰীণজ্যোতি গগৈ, জ্ঞানশ্ৰী বৰা, পথাৰ শিল্পী লোহিত গগৈৰ উপৰিও ভালেকেইগৰাকীয়ে গণশিল্পী ৰাজীৱ শদিয়াৰ কৰ্মৰাজি সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে, ১৯৮৪ চনৰ ৩১ ডিচেম্বৰত শদিয়াৰ টুপচিঙা গাঁৱত জন্মগ্ৰহণ কৰা ধাদু গগৈ ওৰফে ৰাজীৱ শদিয়াই ছাত্ৰ অৱস্থাৰে পৰাই দিহা নাম, টোকাৰী গীত, বিহু নাম আদিত পাকৈত আছিল। নিজৰ সাংগীতিক জীৱনত জাতি-মাটিৰ গানেৰে অসমীয়াৰ চেতনাক উদ্বুদ্ধ কৰা বিশেষকৈ 'কা' আন্দোলনৰ সময়ত জাতি-মাটিৰ গান গাই অসমৰ খিলঞ্জীয়া ৰাইজৰ হিয়াৰ আমঠু হৈ পৰিছিল। তেওঁ আছিল এগৰাকী অত্যন্ত সামাজিকভাৱে দায়বদ্ধ শিল্পী। যিসময়ত অসমৰ একাংশ গায়ক-গায়িকাই কেইটামান টকাৰ বাবে তথা সহজ জনপ্ৰিয়তা লাভৰ বাবে ভাষা-সংস্কৃতিৰ বুঢ়া আঙুলি দেখুৱাই তৰল গীত গাবলৈ উঠি-পৰি লাগি আহিছে সেইসময়ত ৰাজীৱ শদিয়াই নিজৰ গীতেৰে জাতিক জগাই তুলিবলৈ নীৰৱে প্ৰয়াস চলাই গৈছিল। অসমৰ সমাজ আৰু ৰাজনৈতিক জীৱনৰ পৰিস্থিতিক লৈ সদায়েই সৰৱ ভূমিকা পালন কৰা গণশিল্পী ৰাজীৱ শদিয়াই গীতৰ মাজেৰে তাকেই প্ৰকাশ কৰিছিল। মঞ্চই মঞ্চই কেৱল জাতি-মাটিৰ গানেৰে ৰাইজক আলোড়িত কৰাৰ চেষ্টা কৰিছিল তেওঁ। জাতীয়তাবাদী চেতনাৰে উদ্বুদ্ধ বিদ্ৰোহী শিল্পী ৰাজীৱ শদিয়াই উৰুখা পজাতেই সংগীত চৰ্চা কৰি আহিছিল। জনপ্ৰিয় কণ্ঠশিল্পী ৰাজীৱ শদিয়াই সংগীতৰ যাত্ৰাত যথেষ্ট আৰ্থিক অনাটনৰো সন্মুখীন হৈছিল যদিও কাহানিও কাৰো সৈতে আপোচ কৰিবলৈ শিকা নাছিল। বিগত বৰ্ষৰ ৩ ছেপ্টেম্বৰত শিল্পীগৰাকীয়ে সামাজিক মাধ্যমযোগে নিজৰ আৰ্থিক অৱস্থাৰ কিছু আভাস দিছিল যদিও পোষ্টটোত গীত গাবলৈ আমন্ত্ৰণ জনোৱা অনুষ্ঠান-প্ৰতিষ্ঠানবোৰো মাননি আদি দিয়াত কৃপণালি কৰাৰ কথাহে লিখিছিল যদিও ক'তো কাৰো ওচৰত সহায় ভিক্ষা বিচৰা নাছিল। চৰম আৰ্থিক দুৰৱস্থা সত্বেও কাহানিও আপোচ কৰিবলৈ নিশিকা বিপ্লৱী সত্তাৰ অধিকাৰী শিল্পীগৰাকীৰ অবৰ্তমানত তেওঁৰ পত্নী আৰু কণমানি পুত্ৰৰ ভৱিষ্যত কি হ'ব তাকে লৈ অসমৰ জাতীয়তাবাদী মানুহখিনি চিন্তিত হৈ পৰা দেখা গৈছে। ইয়াৰ মাজতে অসমৰ একাংশ লোক আৰু দল-সংগঠনে পৰিয়ালটোৰ আৰ্থিক অৱস্থাক লৈ চিন্তা কৰি সহায় কৰিবলৈ আগবাঢ়ি অহা দেখা গৈছে। আজি পুৱাই শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে ৰাজীৱ শদিয়াৰ ঘৰত উপস্থিত হয়। কণ্ঠশিল্পী মানস ৰবীন, টাই আহোম ছাত্ৰ সন্থাৰ সভাপতি মিলন বুঢ়াগোহাঁই, অসম জাতীয়তবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় প্ৰতিনিধি। অখিল গগৈয়ে পৰিয়ালটোক কাজিৰঙা অৰ্কিড উদ্যানৰ পৰা ১ লাখ টকা আৰু নিজৰ দৰমহাৰ পৰা ১ লাখ টকাৰ চেক প্ৰদান কৰে। সমাধিক্ষেত্ৰ সুন্দৰকৈ নিৰ্মাণৰ কথাও ঘোষণা কৰে গগৈয়ে। পৰিয়ালে অনুমতি দিলে ৰাজীৱৰ পুত্ৰৰ সমস্ত দায়িত্ব ল'ব খোজে অখিল গগৈয়ে। লগতে ৰাজহুৱা আদ্যশ্ৰাদ্ধত সম্পূৰ্ণ সহযোগ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। গণশিল্পীগৰাকীৰ পত্নীক এটা চৰকাৰী চাকৰিৰ বাবে মুখ্যমন্ত্ৰীৰ ওচৰত দাবী জনাব বুলি উল্লেখ কৰি গগৈয়ে কয় যে ৰাজীৱ মোৰ কমৰেড আছিল, তাৰ স্মৃতি মই ৰক্ষা কৰিম। ইপিনে বিশিষ্ট কণ্ঠশিল্পী মানস ৰবীনে প্ৰয়াত শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ প্ৰতিচ্ছৱিত মাল্যৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাজীৱ শদিয়া এজন জাতীয় চেতনা সম্পন্ন শিল্পী আছিল আৰু ৰাজীৱে মানুহৰ বুকুৰ মাজত ঘৰ সাজিছিল বুলি কয় মানস ৰবীনে। সেই কথা তেওঁৰ মৃত্যুৱে প্ৰমাণ কৰি থৈ গ'ল বুলি কয় মানস ৰবীনে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ-পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ৰাতুল বৰগোহাঁইৰ নেতৃত্বত এটা সঁজাতী দলে জাতি-মাটিৰ শিল্পী ৰাজীৱ শদিয়াৰ ঘৰত উপস্থিত হৈ প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ প্ৰতিচ্ছৱিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সাধাৰণ সম্পাদক ৰাতুল বৰগোহাঁইৰ নেতৃত্বত যোৱা যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় প্ৰতিনিধি দলটোৱে ৰাজীৱ শদিয়াৰ আৱক্ষ মূৰ্তি কাৰ্বি আংলং জিলাৰ বোকাজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ত খেলপথাৰত স্থাপনৰ ঘোষণা কৰিছে। সঁজাতী দলটোৱে শোকসন্তপ্ত পৰিয়ালবৰ্গক সৈতে মত-বিনিময় কৰি সমবেদনা জ্ঞাপন কৰে আৰু ৰাজীৱ শদিয়াৰ সৃষ্টিৰাজিক সংৰক্ষিত কৰিবলৈ ব্যৱস্থা গ্ৰহণৰ উপৰিও পৰিয়ালটোক আৰ্থিকভাৱে সহায় কৰাৰ কথা ৰাজহুৱাভাৱে ঘোষণা কৰে। সদৌ তাই আহোম ছাত্ৰ সন্থাৰ সভাপতি মিলন বুঢ়াগোহাঁইয়ে ৰাজীৱৰ ঘৰত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মিলন বুঢ়াগোহাঁইয়ে ৰাজীৱ শদিয়াৰ সহধৰ্মিণীক এটি চৰকাৰী চাকৰি দিয়াৰ ব্যৱস্থা কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰীক আহ্বান জনাব বুলি উল্লেখ কৰি ৰাজীৱ শদিয়া কেৱল এজন গায়কেই নহয়, সমাজৰ এজন সু-সংগঠকো আছিল বুলি কয়। আনহাতে ৰাজ্যখনৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক তথা সাহিত্য অকাডেমী বঁটা বিজয়ী সাহিত্যিক মনোজ গোস্বামীয়ে শিল্পীগৰাকীৰ সন্তানটিৰ পঢ়া-শুনাৰ খৰছ বহন কৰিব বুলি ছ'চিয়েল মিডিয়াযোগে ঘোষণা কৰিছে। এনবি নিউজ নামৰ ছেটেলাইট চেনেলটোৰ স্বত্বাধিকাৰী নৃপেন দাসেও শিল্পীগৰাকীৰ পৰিয়ালটোলৈ স্থানীয় প্ৰতিনিধিৰ জৰিয়তে ১ লাখ টকাৰ চেক প্ৰদান কৰিছে বুলিও জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত পুনৰ চৰম সিদ্ধান্ত যুৱতীৰ

আহি ভাৰাতীয়া হিচাপে বসবাস কৰি থকা ইগৰাকীৰ পিছত সিগৰাকী গাঁৱৰ যুৱতীয়ে আত্মহননৰ পথ বাছি লৈছে। বিগত এটা পযেকত কমেও ৪গৰাকী যুৱতীয়ে আত্মহননৰ পথ বাছি লৈছে। পুনৰ আন এগৰাকী যুৱতীয়ে আত্মহননৰ পথ বাছি লোৱাত চাঞ্চল্যৰ সৃষ্টি হৈছে। উৰুকাৰ আনন্দ-উল্লাসৰ মাজতেই গুৱাহাটীৰ পূব শৰণীয়াত ৰহস্যজনক অৱস্থাত এগৰাকী যুৱতীৰ মৃতদেহ উদ্ধাৰ হয়। ভাড়াঘৰত যুৱতীগৰাকীয়ে চৰম সিদ্ধান্ত লোৱাৰ সন্দেহ কৰা হৈছে। যুৱতীগৰাকীক বিশ্বনাথ চাৰিআলিৰ ঈশা ভৰালী বুলি জানিব পৰা গৈছে। ঈশা ভৰালী ২২ বছৰীয়া আছিল। জানিব পৰা মতে, ভাৰাঘৰত থকা ঈশাই এটা ব্যক্তিগত প্ৰতিষ্ঠানত কাম কৰিছিল। উৰুকাৰ বাবে বান্ধৱীগৰাকী ঘৰলৈ যায় যদিও ঈশা ভাড়াঘৰতে আছিল। অকলশৰে থকাৰ সময়তে ১৩ জানুৱাৰীত ৰহস্যজনক অৱস্থাত নিথৰ দেহ উদ্ধাৰ হয়। আৰক্ষীয়ে ঘটনাক লৈ তদন্ত কৰি আছে যদিও ঈশাই কিয় এনে সিদ্ধান্ত ল'লে সেই কথা জানিব পৰা হোৱা নাই। আৰক্ষী সূত্ৰে জানিব পৰা মতে ঈশাৰ পিতৃ আৰু মাতৃৰ মাজত সু-সম্পৰ্ক নাছিল। ঈশা মাতৃৰ সৈতে আছিল আৰু পিতৃয়ে পৃথকে থাকিছিল। ঈশাৰ মৃত্যুৰ খবৰ পিতৃক জনাবলৈ আৰক্ষীয়ে ফোন কৰাত খবৰটো শুনি একো কথা কৈ নকৈ ফোনৰ সংযোগ কাটি ফোনটো দীৰ্ঘসময় ধৰি ছুইটছ অফ কৰি দিয়ে বুলি জানিব পৰা গৈছে। ইফালে, গুৱাহাটীলৈ কামৰ সন্ধানত অহা ইগৰাকীৰ পিছত সিগৰাকী যুৱতীৰ ৰহস্যজনক মৃত্যুত চিন্তিত হৈ পৰিছে ৰাজ্যৰ সচেতন সমাজ। ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত ৰাজগড়ত পায়েল শইকীয়াৰ মৃতদেহ উদ্ধাৰ হৈছিল। পায়েল শইকীয়াৰ ঘৰত গুৱাহাটীৰে ছাত্ৰীবাৰীত আছিল দিও বিবাহ বিচ্ছেদ হোৱাত বান্ধৱীৰ সৈতে চানমাৰি এলেকাৰ ৰাজগড়ত আছিল। ৯ জানুৱাৰীত তৰুণ নগৰত প্ৰতীক্ষা শৰ্মাৰ মৃতদেহ উদ্ধাৰ হয়। তৰুণ নগৰৰ এটা ভাৰাঘৰত উদ্ধাৰ হৈছিল তিনিচুকীয়াৰ মেধাৱী প্ৰতীক্ষা শৰ্মা। ১০ জানুৱাৰীত ৰুক্মিণীগাঁৱৰ ভাড়াঘৰত উদ্ধাৰ হয় বিপ্লৱী নাথৰ মৃতদেহ। লেকমি কোম্পানীত কৰ্মৰত গোৱালপাৰাৰ বিপ্লৱী নাথৰ মৃতদেহ শুই থকা অৱস্থাতে উদ্ধাৰ হয়। প্ৰায় ডেৰমাহ পূৰ্বৰ পৰা ৰুক্মিণীগাঁও ৰংগমঞ্চ পথৰ ৮নং ঘৰটোত ভাড়াতীয়া হিচাপে আছিল বিপ্লৱী নাথ।

# মৃতদেহ উদ্ধাৰক লৈ পুনৰ উত্তপ্ত ৰঙিয়া, থানা ঘেৰাও

**ই-সংবাদ, ১৫ জানুৱাৰীঃ** ধৰ্মেন্দ্ৰ নাথৰ হত্যাকাণ্ডৰ চাঞ্চল্য মাৰ নৌযাওতেই এইবাৰ ৰঙিয়া আৰক্ষীৰ বিৰুদ্ধে মৃতদেহ উদ্ধাৰৰ পিছতো পৰিয়ালক খবৰ নিদিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। যাৰ বাবে আজি স্থানীয় ৰাইজ ৰঙিয়া আৰক্ষীৰ বিৰুদ্ধে খৰ্গহস্ত হৈ পৰে। ক্ষুব্ধ ৰাইজে ৰঙিয়া থানাৰ সন্মুখত অৱৰোধ কৰি ৰাজপথ উত্তাল কৰি তোলে। অসম পুলিচ হায় হায়, ভৰেশ কলিতাৰ গুণ্ডাগিৰি নচলিব, ন্যায় লাগিবই শ্ল'গানেৰে ৰাজপথ উত্তাল কৰে ৰাইজে। ৰঙিয়া আৰক্ষীয়ে গাফিলতি কৰাৰ লগতে ৰঙিয়া সমষ্টিৰ বিধায়ক ভৰেশ কলিতাৰ বিৰুদ্ধে ৰাইজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। জানিব পৰা মতে, ১১ জানুৱাৰীত ৰঙিয়া আৰক্ষী থানাৰ সমীপৰ পৰা নিৰুদ্দেশ হৈছিল গড়পুত গাঁৱৰ ব্যৱসায়ী ভুপেন ডেকা। পৰিয়ালে ৰঙিয়া আৰক্ষীক এজাহাৰ দাখিল কৰিছিল। ভুপেন ডেকা নিৰুদ্দেশ হোৱাৰ কেইটামান ঘণ্টাৰ পিছতে গুৱাহাটীৰ ভুতনাথৰ ৰে'লপথত উদ্ধাৰ হৈছিল এটা মৃতদেহ। ভুতনাথৰ ৰে'লপথৰ পৰা মৃতদেহৰ সৈতে ৰে'ল আৰক্ষীয়ে উদ্ধাৰ কৰিছিল নথি-পত্ৰ। নথি-পত্ৰখিনি আছিল ভুপেন ডেকাৰ। মৃতদেহ উদ্ধাৰৰ সময়ত পোৱা তথ্যসহ ৰে'ল আৰক্ষীয়ে ৰঙিয়া আৰক্ষীলৈ পত্ৰ প্ৰেৰণ কৰে। ৰঙিয়া আৰক্ষীয়ে পত্ৰ লাভ কৰে যদিও পৰিয়ালক খবৰ নিদিলে। পৰিয়ালৰ লোক উপস্থিত হৈ মৃতদেহ চমজি নোলোৱাত মৃতদেহটো মৰ্গত ৰখা হয়। আৰক্ষীয়ে মৃতদেহটো অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ সাজু হৈছিল। কিন্তু কোনো সূত্ৰৰে এটা মৃতদেহ উদ্ধাৰৰ কথা অৱগত হোৱাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত পৰিয়ালৰ লোক উপস্থিত হৈ সেই মৃতদেহটো ভুপেন ডেকাৰ বুলি চিনাক্ত কৰে। আজি মৃতদেহ ৰঙিয়ালৈ অনাৰ পিছতে উত্তপ্ত হৈ পৰে ৰঙিয়া আৰক্ষী। ৰে'ল আৰক্ষীয়ে ভুপেন ডেকাৰ মৃতদেহ উদ্ধাৰৰ বিষয়টো ৰঙিয়া আৰক্ষীক অৱগত কৰাৰ পিছতো পৰিয়ালক খবৰ নিদিয়াত ৰাইজে ৰহস্যৰ গোন্ধ পাইছে। যাৰ বাবে ৰাইজে আজি ৰাজপথলৈ ওলাই আহে। ৰাজনৈতিক কাৰণত ভুপেন ডেকাক হত্যাৰ অভিযোগ উত্থাপন কৰি হত্যাকাণ্ড গাপ দিবলৈ পৰিয়ালক খবৰ নিদিয়াৰ অভিযোগ আনি ৰাইজ ৰঙিয়া আৰক্ষীৰ বিৰুদ্ধে খৰ্গহস্ত হয়। প্ৰতিবাদী একাংশ লোকে কয় যে ভুপেন ডেকাৰ মৃত্যু দুৰ্ঘটনা হ'ব নোৱাৰে। মৃতদেহত আঘাতৰ চিন স্পষ্ট হৈ আছে। ইয়াত ৰাজনৈতিক ষড়যন্ত্ৰ আছে। সেয়েহে হত্যা কৰি দুৰ্ঘটনাৰ ৰূপ দিবলৈ চেষ্টা কৰা হৈছে বুলি কয় ক্ষুব্ধ ৰাইজে।

# উৰুকাৰ নিশা বিহু সম্ৰাট খগেন গগৈৰ পৰিয়ালক আক্ৰমণ

**ই-সংবাদ, ১৫ জানুৱাৰীঃ** ১৩ জানুৱাৰীৰ উৰুকাৰ নিশা বিহু সম্ৰাট খগেন গগৈৰ পৰিয়ালক আক্ৰমণৰ প্ৰয়াস কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। উৰুকাৰ নিশা কাহিলীপাৰাৰ ৰাজীৱনগৰৰ ঘৰত দুৰ্বৃত্তই দলবদ্ধ আক্ৰমণ কৰে। এই আক্ৰমণত খগেন গগৈৰ ভাতৃ দিলীপ গগৈ আহত হয়। জানিব পৰা মতে, চাৰিটা দশক সংগীতৰ বিহু গীতৰ সাধনা কৰা খগেন গগৈৰ পৰিয়ালেও উৰুকাৰ ভোজ-ভাত খাবৰ বাবে সাজু কৰি আছিল। সেই সময়তে সুৰামত্ত যুৱকৰ দলে ঘৰত প্ৰৱেশ কৰে। পদুলিত তিনিজনীয়া যুৱকৰ দলটোৱে অভব্য-অশ্ৰাব্য কথা কয়। প্ৰথমে খগেন গগৈক প্ৰহাৰ কৰিবলৈ উদ্যত হয় যদিও গগৈয়ে সৈমান কৰি যুৱককেইজনক পঠিয়াই দিছিল। কিন্তু কিছুসময় পিছত পুনৰ আহি ইটাৰে আক্ৰমণ কৰে খগেন গগৈৰ ভাতৃ দিলীপ গগৈক। ফলত দিলীপ গগৈ আঘাতপ্ৰাপ্ত হয়। যুৱককেইজনক নন্দু হালৈ, ৰাজীৱ কলিতা আৰু কৃষ্ণ নাথ বুলি চিনাক্ত কৰে খগেন গগৈৰ পৰিয়ালে। ভগদত্তপুৰ আৰক্ষী থানাত খগেন গগৈয়ে এজাহাৰ দাখিল কৰিছে।

# উত্তৰ গুৱাহাটীৰ ৰংমহলত ভূ-মাফিয়াৰ সন্ত্ৰাস, ৰাইজৰ গৰিহণা

**ই-সংবাদ, গুৱাহাটী, ১৫ জানুৱাৰীঃ** মাঘৰ পহিলা দিনটোতে উত্তৰ গুৱাহাটীৰ ৰংমহলত ভূ-মাফিয়াই এক অবাঞ্ছনীয় ঘটনা সংঘটিত কৰে। যোৱা নিশা প্ৰায় ১২.৩০ মান বজাত স্থানীয় প্ৰমোদ কুমাৰ দাসৰ ঘৰত এটা প্ৰায় ষাঠি-সত্তৰজনীয়া দল আহি উদ্ভণ্ডালি চলায়। এখন জেচিবি সহিতে বহু কেইখন চাৰিচকীয়া বাহনত অহা দলটোৱে প্ৰথমেই দাসৰ ঘৰৰ সীমাৰ পকাৰ দেৱাল ভাঙি ভিতৰত প্ৰৱেশ কৰে আৰু মূল বাসভৱনৰ গাতে লাগি থকা দুটাকৈ ঘৰ সম্পূৰ্ণৰূপে ভাঙি পেলায়। ইয়াতে ক্ষান্ত নাথাকি দলটোৱে লগতে লৈ অনা পকী খুটা আৰু টিনেৰে সীমাৰ বেৰ দিয়া আৰম্ভ কৰে। অতি ক্ষিপ্ৰতাৰে কৰা এই কাৰ্যৰ শব্দত সাৰ পাই গৃহস্থৰ ঘৰৰ মানুহ উঠি আহে আৰু দলৰ মানুহবোৰক প্ৰশ্ন কৰাত দলটোৰ বহুকেইজনে হাতত দা-জোং আদি লৈ মাৰিবলৈ খেদি আহে আৰু প্ৰমোদ দাসৰ একমাত্ৰ পুত্ৰ প্ৰণৱ দাসক মাৰপিট কৰে আৰু পৰিয়ালৰ বাকীসকলকো প্ৰাণে মৰাৰ ভাবুকি দিয়ে। প্ৰাণৰ মমতাত গৃহস্থৰ ঘৰৰ বাকী সদস্য পলাই ঘৰৰ ভিতৰত আশ্ৰয় লয়। এনে পৰিস্থিতিত হোৱা হুলস্থুলৰ শব্দত আৰু গৃহস্থঘৰৰ সদস্যই ঘৰৰ ভিতৰৰ পৰাই ফোনযোগে গাঁৱৰ দুই-এজনক অৱগত কৰাত লাহে লাহে ঘটনাস্থলীত বহু মানুহৰ সমাগম হয় আৰু পৰিস্থিতি উত্তপ্ত হৈ পৰে। পিছত ঘটনা বিষম দেখি ভূ-মাফিয়াৰ দলটোৱে নিজৰ নিজৰ বাহনত উঠি তাৰ পৰা পলায়ন কৰে। জনৈক চৌধুৰী উপাধিধাৰী এজনৰ নেতৃত্বত অহা দলটিৰ এনে কাৰ্যক সচেতন মহলে গৰিহণা দিছে।

# বিলাসীপাৰাত কৃষক মুক্তি-ছাত্ৰ মুক্তিৰ প্ৰতিবাদ

**ই-সংবাদ, বিলাসীপাৰা, ১৫ জানুৱাৰীঃ** বিলাসীপাৰা সমজিলা আযুক্ত কাৰ্যালয়ৰ সন্মুখত কৃষক মুক্তি-ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে বিলাসীপাৰা মহকুমাৰ চিৰাকুটা গাঁও পঞ্চায়তৰ অন্তৰ্গত চিন্ধিখাতা গাঁৱৰ প্ৰায় ৬০০ পৰিয়ালৰ নাম পঞ্চায়ত ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হৈছে। অথচ এইসকল ভোটাৰে ২০২১ চনত বিধানসভা নিৰ্বাচনত পূব বিলাসীপাৰা সমষ্টিত ভোটদান কৰিছিল। আনহাতে, ২০২৪ৰ লোকসভা নিৰ্বাচনত ধুবুৰী লোকসভা সমষ্টিত ভোটদান কৰিছিল। ইয়াৰ পূৰ্বেও বিগত ৪০ বছৰ ধৰি চিৰাকুটা গাঁও পঞ্চায়তৰ অন্তৰ্গত চিন্ধিখাতা গাঁৱৰ ৰাইজে ভোটদান কৰি আহিছিল। ২০১২ চনতো চিৰাকুটা গাঁও পঞ্চায়তৰ ভোটাৰ হিচাপে ভোটদান কৰি আহিছে। হঠাৎ ২০১৭ চনত পঞ্চায়ত ভোটাৰ তালিকাৰ পৰা তেওঁলোকৰ নাম কৰ্তন হয়। সেয়ে চিন্ধিখাতা গাঁৱৰ ভোটাৰক পূৰ্বৰ দৰেই চিৰাকুটা গাঁও পঞ্চায়তৰ ভোটাৰ তালিকাত সন্নিৱিষ্ট কৰাৰ দাবীত ১৩ জানুৱাৰীত ধুবুৰী জিলা কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে বিলাসীপাৰা সমজিলা আযুক্ত কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী পালন কৰি স্মাৰক পত্ৰ প্ৰদান কৰে।

# পাঞ্জাবাৰীত আৰএছএছৰ মকৰ সংক্ৰান্তি পালন

**ই-সংবাদ, গুৱাহাটী, ১৫ জানুৱাৰীঃ** সমগ্ৰ দেশৰ লগতে মঙলবাৰে গুৱাহাটী মহানগৰীৰ পাঞ্জাবাৰীতো ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই মকৰ সংক্ৰান্তি উৎসৱ উদযাপন কৰে। পাঞ্জাবাৰীৰ বাঘৰবৰী হাইস্কুলত আৰ এছ এছৰ পাঞ্জাবাৰী শাখাই আয়োজন কৰা উৎসৱত বিশ্ব হিন্দু পৰিষদৰ খানাপাৰা প্ৰখণ্ডৰ উপদেষ্টা ৰঞ্জন কুমাৰ চক্ৰৱৰ্তীয়ে বন্তি প্ৰজ্বলন কৰি মকৰ সংক্ৰান্তি উৎসৱৰ উদ্বোধন কৰে। আৰ এছ এছৰ তৃতীয় বৰ্ষৰ প্ৰশিক্ষণপ্ৰাপ্ত জ্যেষ্ঠ স্বয়ংসেৱক নৱৰাজ খনালে সংঘৰ পতাকা উত্তোলন কৰি অমৃত বচন পাঠ কৰে। অনুষ্ঠানত সুভাষিত পাঠ কৰে আৰ এছ এছৰ পাঞ্জাবাৰী শাখাৰ কাৰ্যবাহ বুদ্ধি প্ৰসাদ খনালে। মকৰ সংক্ৰান্তি তথা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কাৰ্যক্ৰমৰ সম্পৰ্কত বৌদ্ধিক প্ৰদান কৰে সংঘৰ গুৱাহাটী মহানগৰৰ সহ প্ৰচাৰ প্ৰমুখ অংশুমান খনালে। এই অনুষ্ঠানত সংঘৰ দ্বিতীয় বৰ্ষৰ প্ৰশিক্ষণপ্ৰাপ্ত জ্যেষ্ঠ স্বয়ংসেৱক ত্ৰিদীপ পাঠক, আৰ এছ এছৰ পাঞ্জাবাৰী শাখাৰ বস্তি প্ৰমুখ মৃণাল বৰ্মন, স্বয়ংসেৱক মিলন কৈৱালা প্ৰমুখ্যে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## আলোপতি চৰত চৰ-চাপৰি শিক্ষা আৰু কৃষি সমাৰোহত লুৰীণজ্যোতি

# ‘অসমৰ মাটিত সাম্প্ৰদায়িক ৰাজনীতি কৰিবলৈ দিয়া নহ’ব!’

**ই-সংবাদ, নগৰবেৰা, ১৫ জানুৱাৰীঃ** সমগ্ৰ অসমৰ সমাজ জীৱনত এনেকুৱা কিছুমান বিভেদকামী শক্তি আছে, কোনোবাই কাৰোবাক শোষণ-নিষ্পেষণ কৰে, কোনোবাই মুনাফা আদায় লাভৰ বাবে সমাজত বিভাজনৰ ৰাজনীতি কৰি আছে। কোনো ৰাজনৈতিক দলে সমন্বয় তথা একতাৰ কথা কোৱা নাই।- যোৱা ১২ জানুৱাৰীৰ নিশা বৰপেটা জিলাৰ আলোপতি চৰত ছ’চিঅ’ ইকনমিক এণ্ড ৰুৰেল ডেভেলপমেণ্ট এছ’চিয়েচন' নামৰ স্বেচ্ছাসেৱী সংস্থা উদ্যোগত অনুষ্ঠিত চৰ-চাপৰি শিক্ষা আৰু কৃষক সমাৰোহৰ এক সভাত অংশ গ্ৰহণ কৰি এইদৰে কয় অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। সংস্থাটোৰ সভাপতি আদম আলীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত লুৰীণজ্যোতি গগৈয়ে কয় যে সাম্প্ৰদায়িকতাৰ ৰাজনীতি আমি অসমৰ মাটিত হ’বলৈ নিদিওঁ। আমি জাতীয়তাবাদৰ চিন্তা আৰু আদৰ্শৰ অসমত শিপা মেলিব খুজিছো। জাতীয়তাবাদী আদৰ্শৰ পতাকাৰ তলত থিয় হৈ আমি সকলোৱে মেৰুদণ্ড থিয় কৰি নিজকে অসমীয়া বুলি চিনাকি দিব পাৰিম। গগৈয়ে কয় যে বান আৰু গৰাখহনীয়াই অসমৰ অৰ্থনীতিক থানবান কৰি পেলাইছে। অসমৰ মানুহ দুখীয়া হোৱাৰ অন্যতম কাৰণ হ’ল বান আৰু গৰাখহনীয়া। সেয়ে ইয়াক আমি সকলোৱে নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰক দাবী জনাব লাগে। লুৰীণজ্যোতি গগৈয়ে ভাষণত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি কয় যে একমাত্ৰ ৰাজনৈতিক লাভালাভৰ বাবেই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ সাংগো পাংগোৱে অসমত সাম্প্ৰদায়িক ৰাজনীতি কৰিছে। নিজক অধিক ক্ষমতাশালী বুলি ভবা মুখ্যমন্ত্ৰীজনে কিয় সময় উকলি যোৱাৰ এটা বছৰ পিছতো পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নাই তাক লৈও প্ৰশ্ন উত্থাপন কৰে গগৈয়ে। তেওঁ আৰু কয় যে একমাত্ৰ টকাৰ লোভতে অবৈধ কয়লাখনন কৰিবলৈ দিয়া হৈছে। মানুহৰ জীৱনক তুচ্ছজ্ঞান কৰি ক’লা হীৰাৰ অবৈধ ছিণ্ডিকেট সৃষ্টি কৰি টকা সংগ্ৰহৰ বাবেই আজি উমৰাংছ’ৰ ঘটনা সংঘটিত



হৈছে। এই সকলোবোৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জানিও কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। কিয়নো অসমৰ পাণ, ছুপাৰি, গৰু আৰু কয়লাকে ধৰি সকলো ছিণ্ডিকেট মুখ্যমন্ত্ৰীৰ তত্ত্বাৱধানত চলে। আনকি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগতে অসমত সকলো ছিণ্ডিকেট চলে বুলি অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে বিস্ফোৰক অভিযোগ উত্থাপন কৰে। লুৰীণজ্যোতি গগৈয়ে ভাষণত যি জাতিৰ শিক্ষা আৰু জ্ঞানৰ ক্ষুধা বেছি, সেই জাতিয়ে নিজকে শক্তিশালী হিচাপে প্ৰতিষ্ঠিত কৰিব পাৰে বুলি কৈ চৰ-চাপৰি অঞ্চলত বসবাস কৰা লোকসকলক শিক্ষা আৰু জ্ঞান আহৰণেৰে পৃথিৱীৰ বেলেগ মানুহৰ লগত কান্ধত কান্ধ মিলাই আগবাঢ়ি যাবলৈ আহ্বান জনায়। সভাত অসম জাতীয় পৰিষদৰ মুখপাত্ৰ জিয়াউৰ ৰহমান, অৱসৰপ্ৰাপ্ত অধ্যক্ষ এম আব্দুল মজিদ, অৱসৰপ্ৰাপ্ত বন বিষয়া জালাল উদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক ওৱাজেদুল হাছান, অৱসৰপ্ৰাপ্ত শিক্ষক জুলহক মণ্ডল, অধ্যাপক ছামচুল আলম ছৰোৱাৰ্দী, অধিবক্তা তথা যুৱ সমাজ কৰ্মী ৰফিকুল ইছলাম, শিক্ষক ৰহমত আলী মণ্ডল, আপকুৰ উপদেষ্টা আবুল কালাম আজাদ, সমাজকৰ্মী নুৰজামাল হক, আব্দুল জলিল প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সন্ধিয়া ৰঙা ফিটা কাটি সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰে সমাজকৰ্মী ছফি জামালে।

# ভোগালীত চিতল-খৰিয়াক পাই ৰাইজে পিঠি দিলে পুঠি-খলিহনালৈ

**ই-সংবাদ, বেৰেজীয়া, ১৫ জানুৱাৰীঃ** প্ৰতিবছৰে ভোগালীৰ উৰুকাত প্ৰতিজন অসমীয়াই সাধ্যানুসৰি মাছ বা মাংসৰে এসাঁজ উদৰ পুৰাই খোৱাটো পুৰণি পৰম্পৰা। সেয়ে সকলো ব্যস্ত হৈ পৰে মাংস নাইবা ভালৰো ভাল মাছটি সংগ্ৰহ কৰি সেই পৰম্পৰা ৰক্ষাৰ কাৰণে। এইবাৰো তাৰেই পুনৰাবৃত্তি হোৱা দেখা গ’ল ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে নগাঁও জিলাতো। উল্লেখ্য যে, প্ৰতিবছৰে দেখা যায় যে অসমীয়া লোকসকলৰ এনে পৰম্পৰাৰ বাবেই ভোগালীৰ উৰুকাৰ বজাৰত এলাগী হ’বলগীয়া হয় আন দিনবোৰত গাঁৱে-ভুঞে বা চহৰে-নগৰে বেছ সমাদৰ লাভ কৰি অহা থলুৱা প্ৰজাতিৰ পুঠি, গৰৈ, কাৱৈ, খলিহনা নতুনা চেঙেলী, দৰিকণা আদি মাছবোৰ। উৰুকাৰ দিনটোত প্ৰত্যক্ষ কৰা এই ছবিখন এইবাৰো দেখা গ’ল নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ বজাৰত। চিতল, খৰিয়া, ৰৌ, ভকুৱা, বৰালীক পাই যেন ৰাইজে ক্ষণিকৰ বাবে হ’লেও পাহৰি পেলালে জিভাৰ জুতিত কোনো দিনে কম নোহোৱা এই থলুৱা মাছৰ প্ৰজাতিবোৰ। আচলতে, উৰুকাত ওজনৰ জোখাৰে কমেও দুই কিল’তকৈ ওপৰৰ মাছটো ৰাইজে দেখাকৈ হাতত ওলোমাই নিব পৰাটো এক 'ষ্টেটাছ চিম্ব’ল'ত পৰিণত হোৱা বুলি অনুভৱ হোৱাৰ বাবেই সৰু সৰু মাছবোৰ বছৰ বছৰ ধৰি অতি হেঁপাহৰ ভোগালীৰ উৰুকাৰ দিনটোত এলাগী হৈ আহিছে। আনকি আন দিনবোৰত চাহিদাৰ সামগ্ৰী হৈ থকা এই থলুৱা সৰু সৰু মাছবোৰ উৰুকাৰ আগদিনা বিল বা পুখুৰীকে ধৰি জলাশয়বোৰত জালখনত লাগি আহিলেও নিঃসংকোচে পানীলৈ পুনৰ দলিয়াই দিয়ে মাছমৰীয়াই। তদুপৰি পুঠি, গৰৈ, কাৱৈ, খলিহনা নাইবা আন সৰু মাছবোৰৰ বোজা লৈ অন্য দিনা গ্ৰাহকৰ সন্ধানত চুকে-কোণে ঘূৰি ফুৰা ব্যৱসায়ীজনেও উৰুকাৰ দিনটোত বজাৰলৈ আনে ডাঙৰ ডাঙৰ চিতল, খৰিয়া, ভকুৱা বা ৰৌ ভৰ্তি মাছৰ ড্ৰামকেইটা।

# জাঁজী হাঁহচৰাত উৰুকাৰ নিশা সুৰামত্ত স্বামীৰ প্ৰহাৰত প্ৰাণ গ'ল পত্নীৰ

**ই-সংবাদ, মৰিয়নি, ১৫ জানুৱাৰীঃ** ভোগালী বিহুৰ আনন্দ উল্লাসৰ মাজতে যোৱা ১৪ জানুৱাৰীৰ পুৱা টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত জাঁজী হাঁহচৰা বাইলুং গাঁৱত এগৰাকী মহিলাৰ মৃতদেহ নিজ বাসগৃহৰ ভিতৰত উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। পৰিবাৰিক সংঘাতত বাবেই মহিলাগৰাকীক স্বামীয়ে ১৩ জানুৱাৰীৰ নিশা মৰিয়াই মৰিয়াই নৃশংসভাৱে হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে। বাইলুং গাঁও নিবাসী পলাশ ফুকনে উৰুকাৰ নিশা সুৰাৰ ৰাগীত মাতাল হৈ পত্নী মুনুকন বৰা ফুকনৰ লগত কাজিয়াত লিপ্ত হোৱা লগতে লাঠী আৰু মৰণা মৰাত ব্যৱহাৰ হোৱা এডাল ওখোনেৰে নিৰ্মমভাৱে প্ৰহাৰ কৰি হত্যা কৰে। চাৰি বছৰীয়া আৰু পাঁচ মহীয়া দুটি কন্যা সন্তানৰ মাতৃ মুনুকনৰ মৃতদেহটো ১৫ জানুৱাৰীৰ পুৱা এখন বিছনাৰ ওপৰত উদ্ধাৰ হয়। মহিলাগৰাকীৰ মুখ মণ্ডলকে ধৰি দেহৰ বিভিন্ন অংশত আছে আঘাতৰ চিন। ইতিমধ্যে আৰক্ষীয়ে হত্যাকাৰী স্বামী পলাশ ফুকনক গ্ৰেপ্তাৰ কৰিছে আৰু আজি আদালতত হাজিৰ কৰাই জে'ললৈ প্ৰেৰণ কৰিছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে, অভিযুক্ত পলাশ ফুকনে পত্নীক মাৰধৰ কৰাৰ কথা স্বীকাৰ কৰিছে। আনহাতে, মাতৃৰ মৃত্যু আৰু পিতৃ আৰক্ষীৰ জিম্মাত থকাৰ ফলত নিঠৰুৱা হোৱা দুই কন্যাৰ দায়িত্ব যোৰহাটৰ চাইল্ড লাইনে গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে।

# বৰপেটাৰোডত ভোগালী বিহু উদযাপন

**ই-সংবাদ, বৰপেটাৰোড, ১৫ জানুৱাৰীঃ** ভোগৰ উৎসৱ ভোগালীক লৈ ব্যস্ত উজনি-নামনি। সমান্তৰালকৈ ব্যস্ত হোৱা দেখা গৈছে বাণিজ্য নগৰী বৰপেটাৰোড। মাঘ মাহৰ প্ৰথম দিনটোত বৰপেটা সত্ৰৰ সত্ৰীয়া পৰম্পৰাৰে বৰপেটা জিলাৰ উদ্যোগত তথা হিন্দুজাগৰণ অসম আৰু বৰপেটাৰোড নগৰ সমিতিৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে ভোগালী বিহু উদযাপন কৰা হয়। পুৱা মেজি প্ৰজ্বলন কৰি দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰি ভোগালী বিহু উদযাপন কৰে। মেজি প্ৰজ্বলন কৰে বিটিআৰৰ ই এম গৌতম দাসে। হিন্দুজাগৰণ অসমৰ উদ্যোগত অনুষ্ঠিত কৰা ভোগালী বিহুত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা, পিঠাপনা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে কণকণ শিশুসকলে বিহু নৃত্য প্ৰদৰ্শন কৰে। ভোগালী বিহু অনুষ্ঠানত বৰপেটাৰোডৰ বিশিষ্ট সমাজ সেৱক হীৰালাল কৰ্মকাৰ, প্ৰদীপ দেৱ নাথ, ৰাজকুমাৰ সাহা, সবিতা দেৱ নাথ উপস্থিত থাকে।



অকালতে হেৰাই যোৱা বিপ্লৱী শিল্পী ৰাজীৱ শদিয়াৰ অন্ত্যেষ্টিক্ৰিয়াত গুণমুগ্ধৰ ভিৰ

# এছবিআইৰ আৰআৰএল, কটকীপুখুৰী শাখাৰ কৰ্মকাণ্ডত জীয়াতু ভুগিছে জনতাই

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৫ জানুৱাৰীঃ** ভাৰতীয় ষ্টেট বেংকৰ আৰ আৰ এল শাখাত ৬০ হেজাৰৰো অধিক আৰু কটকীপুখুৰী শাখাত ৫০ হেজাৰৰো অধিক লোকৰ একাউণ্ট আছে। তদুপৰি, বিভিন্ন উদ্যোগ-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান, অংগনৱাড়ী কেন্দ্ৰ, ৰাজহুৱা ধৰ্মানুষ্ঠান, অন্যান্য অনুষ্ঠান আৰু চৰকাৰী অনুদানৰ একাউণ্ট আছেই। প্ৰথম শ্ৰেণীৰ পৰা উচ্চ পৰ্যায়লৈকে সকলো শিক্ষাৰ্থীৰে নিজস্ব একাউণ্ট আছে। এই একাউণ্টবোৰৰ বেংকত থকা ধনৰ স্থিতি জানিবৰ বাবে প্ৰায় প্ৰতিজন গ্ৰাহকৰে পাছবুক প্ৰিন্টৰ প্ৰয়োজন। তদুপৰি, বিদ্যুৎ বিলৰ লগতে অন্যান্য লেনদেন বৰ্তমান সময়ত বহু গ্ৰাহকে ই-বেংকিঙৰ জৰিয়তে কৰে। কিছু লোকে ম'বাইলৰ জৰিয়তে বেংকত থকা ধনৰ স্থিতি জানিব পাৰে যদিও অত্যধিক লোকেই এই ক্ষেত্ৰত অজ্ঞ। সেয়ে তেনেসকল গ্ৰাহকৰ পাছবুক প্ৰিন্ট কৰি লোৱাটো অত্যন্ত জৰুৰী। কিন্তু দীৰ্ঘদিনৰে পৰা দুয়োটা বেংকৰে পাছবুক প্ৰিন্ট মেছিন বিকল। তদুপৰি, দুয়োটা বেংকৰ বিষয়া-কৰ্মচাৰীসকলে কাৰ্যালয়ৰ ভিতৰত থকা মেছিনতো পাছবুক প্ৰিন্ট কৰি নিদিয়ে। দীৰ্ঘদিনৰে পৰা দুয়োটা বেংকতে একাউণ্ট থকা পশ্চিম যোৰহাটৰ লগতে যোৰহাট মহানগৰৰ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত কৰ্মৰত, শিক্ষাৰ্থীসকল সমস্যাৰ সন্মুখীন হৈ আহিছে। গ্ৰাহকসকলে দুয়োটা বেংকৰে বিষয়া-কৰ্মচাৰীসকলক পাছবুক প্ৰিন্ট কৰাৰ কথা ক'লে এটাই উত্তৰ দিয়ে 'মেছিন বেয়া'। এই মেছিন কোনে, কেতিয়া ভাল কৰিব সেই উত্তৰ বিষয়া-কৰ্মচাৰীসকলে আজিও দিব পৰা নাই। সেয়ে গ্ৰাহকসকলে বেংকৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষক বিকল মেছিন সুচল কৰি দিবলৈ মুকলি আহ্বান জনাইছে।

# মানৱতাৰ স্খলন! বটদ্ৰৱাত নৱজাতকৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, বেবেজীয়া, ১৫ জানুৱাৰীঃ** মানৱ সমাজক লজ্জানত কৰা এক ঘটনা সংঘটিত হৈছে নগাঁও জিলাৰ বটদ্ৰৱাত। বটদ্ৰৱা আৰক্ষী থানাৰ অন্তৰ্গত সৰুহিছা গাঁৱত এটি নৱজাতকৰ মৃতদেহ উদ্ধাৰ হয়। মানৱতাক ভূ-লুণ্ঠিত কৰা এই ঘটনাই ৰাইজৰ মাজত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, সৰুহিছা গাঁৱৰ পথৰ দাঁতিতে কোনো মানৱ ৰূপী দানৱে নৱজাতকটিক নিৰ্দয়ভাৱে পেলাই থৈ যায়। পিছত স্থানীয় ৰাইজে মৃতদেহটো প্ৰত্যক্ষ কৰি স্থানীয় বটদ্ৰৱা আৰক্ষী থানাত খবৰ দিয়াত আৰক্ষীয়ে আহি মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। কোনো লোকে নিজৰ কলংক লোকচক্ষুৰ পৰা আঁতৰাই ৰাখিবৰ বাবেই এনেদৰে নৱজাতকটিক হত্যা কৰি পথৰ দাঁতিত পেলাই থৈ যায় বুলি ৰাইজে সন্দেহ ব্যক্ত কৰিছে।

# তামুলপুৰ আৰক্ষী ছাউনীত মানসিক স্বাস্থ্য সন্দৰ্ভত সজাগতা সভা আৰু স্বাস্থ্য শিবিৰ



**ই-সংবাদ, তামুলপুৰ, ১৫ জানুৱাৰীঃ** এছ বি আই সঞ্জীৱনী নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানৰ উদ্যোগত ১৩ জানুৱাৰীত তামুলপুৰ জিলাৰ আৰক্ষী ছাউনীত এটি স্বাস্থ্য শিবিৰ আৰু মানসিক স্বাস্থ্য সন্দৰ্ভত এখন সজাগতা সভাৰ আয়োজন কৰা হয়।স্বাস্থ্য শিবিৰত উৎসাহজনকভাৱে তামুলপুৰ জিলাৰ আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী, উপ-আৰক্ষী অধীক্ষক, তামুলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, তামুলপুৰ জিলাৰ বহুসংখ্যক আৰক্ষী জোৱান আৰু কেবাগৰাকীও আৰক্ষী বিষয়াই নিজৰ নিজৰ স্বাস্থ্য পৰীক্ষা কৰোৱায়। স্বাস্থ্য সজাগতা শিবিৰত উপস্থিত থাকি গুৱাহাটী বিশ্ব বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বৰ্তমানৰ ডীন ডঃ গায়ত্ৰী গোস্বামীয়ে মানসিক স্বাস্থ্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰি এক দীঘলীয়া বক্তৃতা প্ৰদান কৰাৰ লগতে উপস্থিতসকলক মূল্যৱান দিহা-পৰামৰ্শ আগবঢ়ায়। আৰক্ষীৰ লোকসকলৰ মানসিক স্বাস্থ্য আৰু অত্যাৱশ্যকীয় চিকিৎসা পৰামৰ্শ প্ৰদান কৰাই স্বাস্থ্য শিবিৰ স্বাস্থ্য সজাগতা শিবিৰৰ মুখ্য উদ্দেশ্য আছিল বুলি উদ্যোক্তা কলে জানিবলৈ দিয়ে। স্বাস্থ্য সজাগতা শিবিৰত এ চি আৰ ডি(ACRD)ৰ অধ্যক্ষ নৱাজ্যোতি শৰ্মা, এ চি আৰ ডি(ACRD)ৰ কাৰ্যবাহী সঞ্চালক প্ৰেৰণা চাংকাকতিৰ উপস্থিতিত অনুষ্ঠানটোৰ কেবাগৰাকীও কৰ্মকৰ্তা আৰু চিকিৎসা বিষয়াই অংশগ্ৰহণ কৰে।

**বেজেৰাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বহুকেইটা বিশেষ ঘোষণা**

# ২০২৬ৰ ভিতৰত অসমত মেডিকেল কলেজ ১৮খনলৈ বৃদ্ধি পাব

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৫ জানুৱাৰীঃ** আজি কামৰূপ জিলাৰ বেজেৰাত বিয়লি বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত ভৱনৰ দ্বাৰ মুকলি কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীৰ সৈতে উপস্থিত থাকে কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা। দ্বাৰ মুকলিৰ পিছতে অনুষ্ঠিত সভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অহা পাঁচ বছৰত পাঁচ হাজাৰ এনে আদৰ্শ বিদ্যালয় স্থাপন কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে নিজৰ বক্তব্যত অহা বছৰৰ ভিতৰত অসমত মেডিকেল কলেজৰ সংখ্যা ১৮ খনলৈ বৃদ্ধি পাব বুলি প্ৰকাশ কৰে। তদুপৰি নাৰেংগী-কুৰুৱাৰ দলং শীঘ্ৰে শুভাৰম্ভ কৰা হ'ব বুলি উল্লেখ কৰি ডঃ শৰ্মাই ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰতিখন জিলাত অতি কমেও এখনকৈ দলং আৰু প্ৰতিখন জিলাত এখনকৈ মেডিকেল কলেজ স্থাপন কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আনহাতে, অসমৰ জাগীৰোডত বনোৱা ছিপছে আমেৰিকাৰ বজাৰ দখল কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই জানিবলৈ দিয়ে। উক্ত ছিপছৰ পেকেটত মেড ইন




আছাম লিখা থাকিব বুলিও অৱগত কৰে মুখ্যমন্ত্ৰী শৰ্মাই। মুখ্যমন্ত্ৰীগৰাকীয়ে নিজৰ বক্তব্যত বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিক ধন্যবাদ জ্ঞাপন কৰি অহা ১৭ জানুৱাৰীৰ পৰা ১৯ জানুৱাৰীলৈ অনুষ্ঠিত হ'বলগীয়া বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সফলতা কামনা কৰে। নিজৰ বক্তব্যত পুনৰ 'প্ৰতিদিন'ৰ প্ৰসংগ উত্থাপন কৰি আগতে প্ৰতিদিন চালে মানুহে নিগেটিভ ধাৰণা লৈছিল, আজিকালি নলয় বুলি মন্তব্য কৰে।

# যোগীপাৰাত জমিয়তে আহলে হাদিছৰ দশম বাৰ্ষিক অধিৱেশনৰ সামৰণি

**ই-সংবাদ, খাৰুপেটীয়া, ১৫ জানুৱাৰীঃ** খাৰুপেটীয়াৰ নিকটৱৰ্তী যোগীপাৰাত প্ৰয়াত আব্দুল হক সমন্বয় ক্ষেত্ৰত দৰং জিলা জমিয়তে আহলে হাদিছৰ উদ্যোগত আৰু যোগীপাৰা মডাৰ্ন ইছলামিক একাডেমীৰ সহযোগত ১১ আৰু ১২ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অসম ৰাজ্যিক জমিয়তে আহলে হাদিছৰ দশম বাৰ্ষিক অধিৱেশনৰ ১২ জানুৱাৰী নিশা সফল সমাপ্তি ঘটে। অধিৱেশনত সমাজত মাদক দ্ৰব্যৰ কু-প্ৰভাৱ আৰু ইয়াৰ প্ৰতিকাৰ, বাল্যবিবাহ, ড্ৰাগছ আদি অসামাজিক কাৰ্যকলাপ বন্ধ কৰা সন্দৰ্ভত আলোচনা, ছাফাই অভিযান, বৃক্ষৰোপণ, কেন্সাৰ প্ৰতিৰোধৰ সজাগতা সভা, গজল, কুইজ আদি কাৰ্যসূচী ৰূপায়ন কৰা হয়। অনুষ্ঠানটোত চাৰিজনকৈ কোৰানৰ হাফিজক পাগুৰি প্ৰদান কৰা হয়। অধিৱেশনখনত দিল্লী, বিহাৰ, পশ্চিমবংগ আৰু অসমৰ গোৱালপাৰা, বৰপেটা, ধুবুৰী আদি বিভিন্ন ঠাইৰ ইছলামিক পণ্ডিতসকলে কোৰান হাদিছৰ আলোকত আৰু হজৰত মহম্মদ (ছ:)ৰ নীতি-আদৰ্শৰ ওপৰত আলোকপাত কৰি অসামাজিক কাৰ্যকলাপ বন্ধ কৰি এখন সুস্থ সমাজ গঢ়ি তোলাৰ লক্ষ্যৰে বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে অধিৱেশনখনত অসমৰ ধুবুৰী, গোৱালপাৰা, বৰপেটা, নগাঁও, চিৰাং, শোণিতপুৰ, গোলাঘাট, ওদালগুৰি, আদি বিভিন্ন জিলাৰ পৰা অহা প্ৰতিনিধিসহ পাঁচ সহস্ৰাধিক ইছলাম ধৰ্মাৱলম্বী লোকৰ সমাগম ঘটে। অধিৱেশনখনত বিশেষকৈ বহিঃ ৰাজ্যৰ অতিথি ক্ৰমে শ্বাইখ ছালাহ উদ্দিন মাদানী, মৌলানা আব্দুল ছালাফী, বদৰুজ্জোজা নাদভী, নুৰুল ইছলাম ৰাহিমী আৰু শ্বাইখ তানবীৰ আলম চতুৰ্বেদীৰ বক্তব্যই সকলোৰে মন জয় কৰিবলৈ সক্ষম হয়। অধিৱেশনখনত "সঠিক পথ" নামৰ এখনি আলোচনী উন্মোচন কৰা হয়। উল্লেখ্য যে অধিৱেশখন সাফল্য মণ্ডিত কৰাত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা সহায় আগবঢ়োৱা দ্বীন দৰদী তথা আহলে হাদিছ দৰদী ৰাইজক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি জালাল উদ্দিন আহমেদ, সাধাৰণ সম্পাদক ৰেণজাৰ মফিদুল ইছলাম আৰু মুখ্য প্ৰচাৰ সম্পাদক ইমদাদুল ইছলামে।

# সৰবৰহী মহিলা হীৰা প্ৰভা ডেকাৰ মৃত্যু

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১৫ জানুৱাৰীঃ** পূব নলবাৰী অঞ্চলৰ সৰবৰহী নাৰী, মহিলা সৱলীকৰণ আন্দোলনৰ নেত্ৰী, শিক্ষাবিদ, লেখিকা, দানশীলা হীৰাপ্ৰভা ডেকাৰ ১০৩ বছৰ বয়সত আজি নিজ গৃহত মৃত্যু হয়। পূব নলবাৰীৰ প্ৰথমখন মহিলা সমিতি নৱৰূপা মহিলা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি, সন্ধা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী, পূব নলবাৰী কলেজৰ অত্যাধুনিক গাৰ্লছ কমন ৰূপৰ দাত্ৰী, ৰাজকদমতল নামঘৰৰ কাৰ্যালয় দাত্ৰী, পাইকাৰকুছিৰ পুথিভঁৰালৰ গৃহ দাত্ৰী হীৰাপ্ৰভা ডেকা নলবাৰীৰ এক উজ্জ্বল পোহৰ, সামাজিক প্ৰেৰণাৰ আন নাম আছিল। তেওঁ 'সোণমইনাৰ সাধুকথা' নামৰ এখন শিশু পুথি প্ৰকাশ কৰিছিল। তেওঁৰ সন্মানাৰ্থে ৰাজকদমতল শাখা সাহিত্য সভাই অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰিছিল। তেওঁৰ স্বামী ৰাজেন্দ্ৰ ডেকা এগৰাকী নাট্যকাৰ আৰু গল্পকাৰ আছিল আৰু তেওঁৰ ৰচনাৱলীও ইতিমধ্যে প্ৰকাশ পাইছে।তেওঁৰ কন্যা ডঃ লীনা ডেকা কবি আৰু নলবাৰী সাহিত্য সভাৰ সভাপতি। বৰপুত্ৰ আইন বিভাগৰ প্ৰাক্তন আয়ুক্ত, প্ৰয়াত পুত্ৰ লেখক কালীন্দ্ৰ কুমাৰ ডেকা (নৰ) পূব নলবাৰী নিৰ্মাণৰ অন্যতম হোতা আছিল। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ, তিনি কন্যা, বোৱাৰী, নাতি-নাতি বোৱাৰী, আজোনাতিক এৰি থৈ যায়।

## আমনিগাঁৱত উদ্ধাৰ গৰু
# চামগুৰিৰ গ্ৰামাঞ্চলত গৰু চোৰৰ উপদ্ৰৱ

**ই-সংবাদ, পুৰণিগুদাম, ১৫ জানুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানা আৰু খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন স্থানত দিনক দিনে চোৰৰ উপদ্ৰৱ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। নিশাৰ লগতে দিনদুপৰতে গৃহস্থৰ গৃহত চোৰে প্ৰৱেশ কৰি বিভিন্ন মূল্যৱান সা-সামগ্ৰীৰ লগতে পশুধন চুৰি কৰি ৰাইজক অতিষ্ঠ কৰি তুলিছে।আনহাতে, কিছুদিন ধৰি চোৰৰ দলে ফুকনটোল, বৰালীগাঁও, চামগুৰি আউনীআটি, গেন্ধালী ভেলেউগুৰি, পহুকটা, তেলিয়াগাঁও, আমনিগাঁও, হয়বৰগাঁও, শিঙিয়াৰ বিভিন্ন অঞ্চলৰ লগতে ব্ৰহ্মচাৰী সত্ৰকে আদি কৰি বিভিন্ন অঞ্চলত কেইবাজনো লোকৰ গৃহত চোৰে প্ৰৱেশ কৰি কাঁহৰ বাচন-বৰ্তন, চাইকেল, পানী মটৰ আদিকে ধৰি বিভিন্ন সামগ্ৰী চুৰি কৰি উপদ্ৰৱ চলাই আহিছে। আনহাতে, বিভিন্ন স্থানৰ পথাৰৰ লগতে গোহালি আৰু গঁড়ালৰ পৰা চোৰে গৰুৰ লগতে ছাগলী, হাঁহ, কুকুৰা আদি চুৰি কৰি নিয়া পৰিলক্ষিত হৈছে। বিশেষকৈ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলসমূহত প্ৰায়েই পশুধন চুৰি কৰি নিয়া কাৰ্যই সৰ্বসাধাৰণ লোকক চিন্তিত কৰি তুলিছে। চামগুৰি আৰক্ষী থানা আৰু খাটোৱাল আৰক্ষী থানাৰ অধীনৰ বিভিন্ন অঞ্চলত চৰকাৰীকৰণ গাঁওৰক্ষী বাহিনী আছে যদিও উক্ত গাঁওৰক্ষী বাহিনীৰ নীৰৱ ভূমিকাৰ কাৰণেই অঞ্চলসমূহত সঘনাই গৰু চুৰিৰ ঘটনা সংঘটিত হৈ আহিছে বুলি স্থানীয় সচেতন মহলে মত প্ৰকাশ কৰিছে। কেইদিনমান পূৰ্বে চামগুৰিৰ এজন লোকৰ ঘৰৰ গোহালিৰ পৰা নিশা গৰু চুৰি কৰি নিয়াৰ পিছত আজি তিনিদিন পূৰ্বে চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমনিগাঁও অঞ্চলৰ ৰবিশংকৰ দাস নামৰ লোকজনৰ ঘৰৰ গোহালিৰ পৰা দুটা গৰু চোৰে চুৰি কৰি নিয়ে। যোৱা নিশাও চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমনিগাঁও অঞ্চলৰ অতুল শইকীয়া নামৰ লোকজনৰ ঘৰৰ গোহালিৰ পৰা তিনিটা গৰু চুৰি কৰি নিয়া ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। চামগুৰি আৰক্ষী থানাৰ আৰক্ষীৰ নীৰৱ ভূমিকাৰ কাৰণেই উক্ত অঞ্চলসমূহত সঘনাই গৰু চুৰি কাৰ্য সংঘটিত হৈ আহিছে বুলি স্থানীয় একাংশ লোকে অভিযোগ কৰিছে। চামগুৰি আৰক্ষী থানাৰ অধীনৰ অঞ্চলসমূহত গৰু চুৰি কাৰ্য ৰোধ কৰাৰ ক্ষেত্ৰত নগাঁও আৰক্ষী অধীক্ষকগৰাকীক ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে আহ্বান জনাইছে।

# কেঁকেৰিকুচিৰ ঘটনাত নিহত লোকলৈ শ্ৰদ্ধাঞ্জলি কলিতা সংগঠনৰ

**ই-সংবাদ, মৰিগাঁও, ১৫ জানুৱাৰীঃ** ১৯৯৮ চনৰ ১৩ জানুৱাৰীত নামনি অসমৰ কেঁকেৰিকুচিত সন্ত্ৰাসবাদীয়ে নিৰ্মমভাৱে হত্যা কৰা ১৭ জন লোকলৈ মৰিগাঁৱত ভোগালী বিহুৰ উৰুকাৰ নিশা কেইবাটাও কলিতা সংগঠনে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই উপলক্ষে চহৰখনৰ মাজমজিয়াত গুণদীপ বৰদলৈ আৰু মৃদু কলিতাৰ নেতৃত্বত হোৱা বন্তি প্ৰজ্বলন কাৰ্যসূচীত মৰিগাঁও জিলা কলিতা জনগোষ্ঠী সন্মিলন, কলিতা ছাত্ৰ সন্থা, কলিতা সেনাৰ বহু সংখ্যক সদস্যৰ লগতে কলিতা উন্নয়ন পৰিষদৰ সদস্য ভদ্ৰেশ্বৰ কলিতাই অংশ লয়।

# চতিয়াৰ পাৰিজাত বিদ্যাপীঠৰ সপ্তবিংশতিতম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস



**ই-সংবাদ, চতিয়া, ১৫ জানুৱাৰীঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ দক্ষিণ অঞ্চলৰ ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠা পাৰিজাত শিশু বিদ্যাপীঠত ১২ আৰু ১৩ জানুৱাৰীত দুয়োদিনীয়া কৰ্যসূচীৰে সপ্তবিংশতিতম বাৰ্ষিক অধিৱেশন আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হৈ যায়। দেওবাৰে দিনজোৰা কৰ্যসূচীৰে অনুষ্ঠিত হোৱা সপ্তবিংশতিতম বাৰ্ষিক অধিৱেশন আৰু বঁটা বিতৰণী সভাত পুৰা পতাকা উত্তোলন কৰে পাৰিজাত শিশু বিদ্যাপীঠৰ প্ৰধান শিক্ষক গণেশ ছেত্ৰীয়ে। গছপুলি ৰোপণ কৰে বিদ্যাপীঠ পৰিচালনা সমিতিৰ উপদেষ্টা মইনুল হ'ক চৌধুৰীয়ে। তেওঁক সহযোগ কৰে বিদ্যাপীঠ পৰিচালনা সমিতিৰ সদস্য ফকিৰ আলী মজুমদাৰে। তাৰ পিছত ভেশচন প্ৰতিযোগিতা উদ্বোধন কৰে বিদ্যাপীঠ পৰিচালনা সমিতিৰ উপ-সভাপতি ৰুদ্ৰ পোখৰেলে। বঁটা বিতৰণী অনুষ্ঠান দ্বোধন কৰে বিদ্যাপীঠৰ পৰিচালনা সমিতিৰ উপ-সভাপতি ইয়াকুব আলীয়ে। প্ৰতিষ্ঠা দিৱসৰ দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুযায়ী বিদ্যাপীঠ পৰিচালনা সমিতিৰ সভাপতি হাৰুন ৰাছিদৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাত মূলসভা আৰু সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে সিপৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক দলমোহন ছেত্ৰীয়ে। ইফালে এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ৩ নং চতিয়া গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি উদয় শংকৰ শইকীয়াই ভাষণ প্ৰসংগত কয় যে এই শিক্ষা অনুষ্ঠানে এই পিছ অঞ্চলত শিক্ষাৰ ক্ষেত্ৰত বহুতো অৱদান আগবঢ়াইছে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি সিপৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাম প্ৰসাদ উপাধ্যায় নিজ ভাষণ প্ৰসংগত কয় যে নৱপ্ৰজন্মৰ শিক্ষাৰ ক্ষেত্ৰত আমাৰ অভিভাৱকসকলৰ লগতে সকলো ছাত্ৰ, দল-সংগঠনে গুৰুত্ব দিব লাগে। শিক্ষা হৈছে আমাৰ ভৱিষ্যত, শিক্ষা নহ'লে কোনো এটা জাতিয়ে আগবাঢ়ি যাব নোৱাৰে।

# গোলকগঞ্জত জালত পৰিল গো-মাফিয়া

**ই-সংবাদ, গোলকগঞ্জ, ১৫ জানুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ ভাৰত-বাংলাদেশ সীমান্তত গৰুৰ চোৰাং ব্যৱসায়ৰে সন্ত্ৰাস চলোৱা মোষ্ট ৱাণ্টেড গো-মাফিয়া আব্দুল মান্নান আজি আৰক্ষীৰ জালত পৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ মতে, দীৰ্ঘদিনৰ পৰাই পশ্চিম গাইগোৱাৰ আব্দুল মান্নান গৰুৰ অবৈধ চোৰাং ব্যৱসায়ত জড়িত হৈ আছে। কাইটীয়াতাঁৰৰ বেৰ কাটি বাংলাদেশ লৈ গো-ধন সৰবৰাহ কৰা বুলি তেওঁৰ বিৰুদ্ধে বহু অভিযোগ আছে। ভাৰত-বাংলাদেশ সীমান্তত বিএছএফৰ নিদ্ৰাহৰণ কৰিছে এই মান্নানে। গৰুৰ চোৰাং ব্যৱসায়ত জড়িত থকা বুলি তেওঁৰ বিৰুদ্ধে গোলকগঞ্জ থানাত গোচৰো পঞ্জীয়নভুক্ত আছে। দীৰ্ঘদিনৰ পৰা বিএছএফে তেওঁক বিচাৰি চলাথ কৰিও সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাছিল। অৱশেষত যোৱানিশা গোলকগঞ্জ আৰক্ষীয়ে গোপনে অভিযান চলাই গো-মাফিয়াটোক নিজ গৃহৰ পৰা আটক কৰে।

# আগমনি-গোলকগঞ্জত ধৃত ২ ধৰ্ষণকাৰী

**ই-সংবাদ, গোলকগঞ্জ, ১৫ জানুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানা আৰু আগমনি থানা এলেকাত ১২ জানুৱাৰীত সংঘটিত দুটা পৃথক জঘন্য কাণ্ডৰ দুই অপৰাধীক আৰক্ষীয়ে আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ মতে, গোলকগঞ্জ থানাৰ অন্তৰ্গত উচিতা গাঁৱৰ এগৰাকী বিশেষভাৱে সক্ষম মানসিক বিকাৰগ্ৰস্ত যুৱতীক ঘৰত অকলে পাই একে গাঁৱৰে আব্দুল খালেকৰ পুত্ৰ ফিৰদৌচ আলীয়ে গোহালিলৈ টানি লৈ যায়। পিছত হাত-ভৰি বান্ধি অসৎ কাৰ্য চৰিতাৰ্থ কৰি পলায়ন কৰে। এই ঘটনা যুৱতীগৰাকীয়ে আকাৰে-ইংগিতে ওচৰৰে এগৰাকী মহিলাক কান্দি কান্দি অৱগত কৰে। পিছত মহিলাগৰাকীয়ে যুৱতীগৰাকীৰ পিতৃ-মাতৃক খবৰ দিয়ে। পিতৃ-মাতৃয়ে বিশেষভাৱে সক্ষম মানসিক বিকাৰগ্ৰস্ত যুৱতীগৰাকীক গোলকগঞ্জ থানালৈ নিয়ে। গোলকগঞ্জ আৰক্ষীয়ে যুৱতীগৰাকীক স্বাস্থ্য পৰীক্ষা কৰাই নৰ পিশাচ ধৰ্ষণকাৰী ফিৰদৌচ আলীৰ বিৰুদ্ধে এজাহাৰ গ্ৰহণ কৰে। এজাহাৰৰ ভিত্তিত গোলকগঞ্জ আৰক্ষীয়ে ১৩/২৫ নম্বৰৰ এটা গোচৰ ৰুজু কৰি কালি ফিৰদৌচ আলীক আটক কৰিবলৈ সক্ষম হয়। আনহাতে, একেদিনাই আগমনি থানাৰ ভামডাঙা দ্বিতীয় খণ্ড গাঁৱতো সংঘটিত হয় অনুৰূপ ঘটনা। নাবালিকাৰ সৈতে জঘন্য কাণ্ড কৰে এজন যুৱকে। জানিব পৰা মতে, ঝাপুচাবাৰী পঞ্চম খণ্ড গাঁৱৰ নাবালিকা গৰাকী গৈছিল মোমায়েকৰ ঘৰত। মোমায়েকৰ ঘৰৰ কাষৰ দিলীপ ৰায়ৰ পুত্ৰ ৰাণা ৰায়ে ফুচলাই মাতি নিয়ে নিজ ঘৰত। সেই সময়ত ঘৰত কোনো নথকাৰ সুযোগ লৈ বলপূৰ্বক অসৎ কাৰ্য কৰে। নাবালিকাগৰাকী চিঞৰ-বাখৰ কৰাত লম্পট ৰাণাই পলায়ন কৰে। নাবালিকাগৰাকীক পৰিয়ালৰ লোকে ততালিকে আগমনি সমূহীয়া স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে। পিছত অৱস্থা সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত প্ৰেৰণ কৰে। বৰ্তমানো নাবালিকাগৰাকী চিকিৎসাধীন হৈ আছে। পৰিয়ালৰ লোকে দিয়া এজাহাৰৰ ভিত্তিত আগমনি আৰক্ষীয়ে ৮/ ২৫ নম্বৰত গোচৰ ৰুজু কৰে। নিশা আৰক্ষীয়ে অভিযান চলাই ৰাণাক আটক কৰে।

# সত্ৰশালত দুদিনীয়াকৈ ভোগালী বিহু উদযাপন

**ই-সংবাদ, গোলকগঞ্জ, ১৫ জানুৱাৰীঃ** ধুবুৰী জিলাৰ অসমীয়া সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ অসম পশ্চিমবংগ আৰু বাংলাদেশ সীমান্তৰ সত্ৰশালত ১৩ জানুৱাৰীৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয় ভোগৰ উৎসৱ ভোগালী বিহু। কাৰ্যসূচীৰ মতে, ১৩ জানুৱাৰীত উৰুকাৰ দিনা বিহুৰ পতাকা উত্তোলন কৰে বিশিষ্ট সমাজকৰ্মী নিখিল সৰকাৰে। বন্তি প্ৰজ্বলন কৰে সমাজসেৱক সুশীল দাস আৰু ৰমেন্দ্ৰ নাথ দাসে। ভেলাঘৰ উদ্বোধন কৰে বিশিষ্ট সাংবাদিক প্ৰদীপ সেন টেক্সী আৰু শ্যামল ৰায়ে। গছ পুলি ৰোপণ কৰে প্ৰাক্তন পঞ্চায়ত সভাপতি কৃষ্ণ কমল সৰকাৰ আৰু বিশিষ্ট খেল সংগঠক অবিলাশ দাসে। বাঁহ-খেৰেৰে স্থানীয় যুৱকসকলে আটোমটোকাৰীকৈ সাজি উলিওৱা ভেলাঘৰৰ সন্মুখত পিঠা-পনা বনোৱা, খেল-ধেমালি আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া বিহু নৃত্য-গীতৰ প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়। নিশা সমজুৱাকৈ ভোজভাত খায়। বিহুৰ দিনা পুৱা সকলোৱে মিলি নাম প্ৰসংগ কৰি মেজি জ্বলাই আৰু পিঠা-পনা খাই নৃত্য-গীতত মতলীয়া হৈ পৰে।

# ছিপাঝাৰৰ দুখনকৈ বিদ্যালয়ত কু-সংস্কাৰ, অন্ধবিশ্বাস বিৰোধী বিশেষ সজাগতা সভা

**ই-সংবাদ, ছিপাঝাৰ, ১৫ জানুৱাৰীঃ** সাম্প্ৰতিক সময়ত আমাৰ সমাজত অতীজৰে পৰা প্ৰচলিত কিছুমান কু-সংস্কাৰ আৰু অন্ধবিশ্বাসে সমাজখনক বিপথে পৰিচালিত কৰা দেখা গৈছে। সংস্কাৰ আৰু বিজ্ঞান মনস্কতাৰ প্ৰসাৰ নহ'লে আধুনিক সভ্যতাৰ গতি বাধাগ্ৰস্ত হ'ব।- দৰঙৰ গান্ধীস্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু জাতীয় বিদ্যালয় অসম, হাজৰিকাপাৰাত আয়োজিত কু-সংস্কাৰ আৰু অন্ধবিশ্বাস বিৰোধী দুখন সজাগতা সভাত এইদৰে বক্তব্য প্ৰদান কৰে বাঘমাৰাৰ নৰ্থ কামৰূপ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ডাঃ সংগীতা ভাৰতীয়ে। ছিপাঝাৰ মহাবিদ্যালয়ৰ এনভাইৰমেণ্ট আৰু ক্লাইমেট ছেল (CECC) আৰু ৰসায়ন বিজ্ঞান বিভাগৰ উদ্যোগত অনুষ্ঠিত কৰা সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ অশ্বিনী কলিতাই। অনুষ্ঠানত গান্ধী স্মৃতি বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক হৰেন কলিতাই আদৰণি বক্তব্য ৰাখি ছিপাঝাৰ মহাবিদ্যালয়ৰ এনভাইৰমেণ্ট আৰু ক্লাইমেট ছেল (CECC) আৰু ৰসায়ণ বিজ্ঞান বিভাগে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টিৰ বাবে আয়োজন কৰা সভাখনিৰ বাবে শলাগ লয়। সভাত ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যি বক্তব্য আগবঢ়ায় বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ভাৰ্গৱ শৰ্মাই। আনখন সভাত জাতীয় বিদ্যালয়ৰ অধ্যক্ষ নগেন্দ্ৰ নাথ ডেকাই অনুষ্ঠানৰ শলাগ লৈ বক্তব্য প্ৰদান কৰি ছাত্ৰ সমাজক উপকৃত হোৱা এনে অনুষ্ঠান অনুষ্ঠিত কৰাসকলৰ শলাগ লয়। দুয়োটা অনুষ্ঠানতে ছিপাঝাৰ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰী ক্ৰমে হিমাশ্ৰী, দিপশিখা, মিতালী আৰু পুলক উপস্থিত থাকে।

## ৰাষ্ট্ৰ সেৱিকা সমিতিৰ উদ্যোগত কৰ্কট ৰোগীৰ মাজত ফলাহাৰ বিতৰণ

**ই-সংবাদ, ডিব্ৰুগড়, ১৫ জানুৱাৰীঃ** ভোগালী বিহুৰ উৰুকাৰ দিনা ৰাষ্ট্ৰ সেৱিকা সমিতি, ডিব্ৰুগড়ৰ কৰ্মকৰ্তাসকলে অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ অন্তৰ্গত চিকিৎসা প্ৰতিষ্ঠান ডিব্ৰুগড়ৰ কেন্সাৰ চেন্টাৰত শতাধিক ৰোগীৰ মাজত ফলাহাৰৰ পেকেট বিতৰণ কৰে। তেওঁলোকে আগতীয়াকৈ সঞ্চালক ডাঃ নৱজ্যোতি চৌধুৰীৰ সৈতে যোগাযোগ কৰি তেওঁলোকৰ ইচ্ছাৰ কথা ব্যক্ত কৰাত বিশেষ সাৱধানতাৰে বিশেষ কেইবিধমান ফল অনাৰ অনুমতি দিয়াৰ পৰিপ্ৰেক্ষিতত ডিব্ৰুগড়ৰ সেৱিকা সমিতিৰ কৰ্মকৰ্তাসকলেযথেষ্ট যত্নসহকাৰে স্বাস্থ্যসন্মতভাৱে পেকেটসমূহ প্ৰস্তুত কৰে। বিভাগীয় কাৰ্যবাহিকা দিপ্তীময়ী গগৈ, কল্পনা বুজৰবৰুৱা, ডাঃ জেনিতা বৰুৱা, মীনাক্ষি গোস্বামী, স্বপ্না ৰয়, প্ৰতিমা ৰয়, মিতালী দেউৰী, প্ৰিয়ম কাশ্যপ, ভাগ্যশ্ৰী গগৈ, ৰুণজুন চেতিয়া, চানভি কোঁৱৰ আদি সেৱিকাসকলৰ সহযোগত সেৱাকাৰ্য সম্পন্ন কৰা হয়। বিশাল ভৱনৰ প্ৰত্যেক মহলাৰ বিভিন্ন ৱাৰ্ড আৰু বহিঃ বিভাগৰো ৰোগীসকলৰ মাজতো ফলাহাৰ বিতৰণ কৰা হয়। ৰোগীসকলৰ আশু আৰোগ্য কামনাৰে এক প্ৰাৰ্থনাও অনুষ্ঠিত কৰে। এই কাৰ্যত আমন্ত্ৰিত অতিথি হিচাপে সহযোগিতা আগবঢ়ায় বিশিষ্ট লেখিকা, সমাজ সেৱিকা ড০ ভাৰতী দত্তই। উল্লেখ্য যে কেন্সাৰ চেন্টাৰৰ বিষয়ববীয়া অভিজিৎ ভট্টাচাৰ্য, বিকাশ তালুকদাৰ, ভাস্কৰজ্যোতি গগৈ, ইমদাদুৰ ৰহমান, ইন্দিৰা পুন আৰু সোমালী বৰঠাকুৰে সেৱিকা কৰ্মকৰ্তাসকলৰ প্ৰতি সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। তেওঁলোকৰ প্ৰতি অনুষ্ঠানটিয়ে কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে নিউট্ৰিচিয়ান ৰিয়া গগৈৰ প্ৰতিও সেৱিকা সমিতি, ডিব্ৰুগড় শাখাই ধন্যবাদ জ্ঞাপন কৰে।

# আঠ গৰাকী ৮০উৰ্ধৰ বৃদ্ধক ভৰি ধুৱাই সম্বৰ্ধনা সৰপাৰা ৰাইজ গয়ৰহৰ

**ই-সংবাদ, গুৱাহাটী, ১৫ জানুৱাৰীঃ** আজি কামৰূপ জিলাৰ সৰপাৰা ৰাইজ গয়ৰহৰ প্ৰশংসনীয় প্ৰদক্ষেপে বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ মাজত এক মচিব নোৰৱা সাঁচ বহুৱায়। আজি সৰপাৰা ৰাইজ গয়ৰহে বৃহত্তৰ অঞ্চলটোৰ ৮০ৰ উৰ্ধৰ ভিন ভিন ক্ষেত্ৰৰ ৮ গৰাকী বৃদ্ধ-বৃদ্ধা ক্ৰমে ভুৱন মজুমদাৰ (৮৬), অমৃত দেৱান (৮৫), অনন্ত চৌধুৰী (৮৪), চবিন ডেকা (৮৩), মিহিবালা দাস(৯০), লাহেশ্বৰী দাস (৮৬), সব্যা দাস(৯০) আৰু নৰলতা দাস (৯০)ক ৰাইজ গয়ৰহৰ বিষয়ববীয়াসকলে ভৰি ধুৱাই দি পিছত ফুলাম গামোচা আৰু অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰে ৰাইজ গয়ৰহৰ সভাপতি অজিত চন্দ্ৰ দাসে। গয়ৰহৰ সাধাৰণ সম্পাদক দীনেশ ডেকাই আঁত ধৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা পৰাগজ্যোতি প্ৰকাশনৰ সচিব দীপক শৰ্মা। সভাত ৰাইজ গয়ৰহৰ উপদেষ্টা প্ৰভাত ডেকা, ৰমেশ দাস, দিলীপ দাস, সুৰেন্দ্ৰ মোহন দাস, সৰপাৰা সাহিত্য সভাৰ সভাপতি প্ৰবীণ দাস, ৰাইজ গয়ৰহৰ উপ-সভাপতি ৰাধিকা দাস, সহঃ সম্পাদক জয়ন্ত দাস আদিয়ে বক্তব্য দাঙি ধৰে। এই প্ৰচেষ্টাক অঞ্চলবাসী ৰাইজে একেমুখে প্ৰশংসা কৰে।

# ভাগৰতী পাৰাত ভোগালী উৎসৱৰ সফল সামৰণি

**ই-সংবাদ, মিৰ্জা, ১৫ জানুৱাৰীঃ** পলাশবাৰী সমষ্টিৰ ভাগৰতী পাৰাত ৰংমন সংঘৰ উদ্যোগত মাঘবিহুৰ লগত সংগতি ৰাখি আজি পুৱা ৮ বজাত ভাগৰতীপাৰা ৰাইজৰ সহযোগিতাত মেজি জ্বলাই ভোগালী উৎসৱ উদযাপন কৰা হয়। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি সৰু ল'ৰা-ছোৱালীৰ উঠা-বহাৰ খেল, পাৰ-পানী, কুকুৰা যুঁজৰ লগতে মহিলাৰ ৰছী টনা খেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে পলাশবাৰী সমষ্টিৰ কংগ্ৰেছৰ যুৱ নেতা বিপ্লৱ কুমাৰ তালুকদাৰ। তেওঁ ভাষণ প্ৰসংগত ৰাইজক উদ্দেশ্যি কয় যে এই মেজিৰ জুইত সমাজৰ অমংগলীয়া যি কু-সংস্কাৰ আছে, যাক সমাজৰ বেয়া ভাইৰাছ হিচাপে সমাজে স্বীকৃতি দিয়ে সেইসমূহ আঁতৰি যাওক আৰু সৰু ল'ৰা-ছোৱালীৰ লগতে যুৱ প্ৰজন্মই আপোচবিহীনভাৱে আগুৱাই আহি সমাজৰ সাংস্কৃতিক, সামাজিক আৰু ৰাজনৈতিক অনুষ্ঠানবোৰত সুন্দৰভাৱে আগভাগ লৈ সমাজৰ কাম-কাজসমূহ চলাই লৈ যাওক। উক্ত অনুষ্ঠানত উপস্থিত থাকে অনুজ কলিতা, ৰংমন সংঘৰ সভাপতি চন্দন দাস, উপ-সভাপতি নয়ন দাস, উৎপল দাস, প্ৰদীপ দাস, কিষাণ দাস, জিন্টু কলিতাৰ লগতে স্থানীয় ৰাইজ।

# যোৰহাটৰ চেলেং চাহ বাগিচাত উৰুকাত ভয়ংকৰ অগ্নিকাণ্ড, ভস্মীভূত বাসগৃহ

**ই-সংবাদ, মৰিয়নি, ১৫ জানুৱাৰীঃ** যোৰহাটৰ চেলেং চাহ বাগিচাত উৰুকাৰ নিশা এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। এই ভয়ংকৰ অগ্নিকাণ্ডত এটা বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হয়। জানিব পৰা মতে, চেলেং চাহ বাগিচাৰ ৭নম্বৰ লাইনৰ অনিল ভূঞা নামৰ এজন বৃদ্ধই পত্নীৰ সৈতে জুইৰ ওচৰত বহি থাকোতে হঠাৎ বাসগৃহটোত অগ্নি সংযোগ ঘটে। খন্তেক পিছতে অগ্নিৰ লেলিহান শিখাই আগুৰি ধৰে গৃহটো। অগ্নিকাণ্ডত ভূঞাৰ বাসগৃহটো সম্পূৰ্ণৰূপে জাহ যায়। বিহুৰ বতৰত ঘৰখনত এতিয়া হাহাকাৰ লাগিছে।

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ সেউজীয়া বাকৰিত উমাল এসন্ধ্যা

**ই-সংবাদ, ডিব্ৰুগড়, ১৫ জানুৱাৰীঃ** যোৱা ১৩ জানুৱাৰীত ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হয় এক উমাল সন্ধিয়া। এই অনুষ্ঠানত প্ৰবাসী ভাৰতীয় নিৰ্মলা বৰুৱাই কয় যে অসমৰ ভাষা-সংস্কৃতি, পৰম্পৰা, উৎসৱ পাহৰিলে নহ'ব। জাতিক সচেতন, সজাগ আৰু সক্ৰি সক্ৰিয় কৰি তুলিবলৈকে ভাষা-সংস্কৃতি, পৰম্পৰাক গুৰুত্ব দিব লাগিব। অসম আৰু অসমীয়াক জীয়াই ৰাখিবলৈ ভাষা-সংস্কৃতিৰ চৰ্চা অব্যাহত ৰাখিব লাগিব। নতুন প্ৰজন্মক ভাষা-সংস্কৃতিক শ্ৰদ্ধা জনাবলৈ পৰিৱেশ ৰচনা কৰিব লাগিব। সুদূৰ স্কটলেণ্ডত বিগত পঞ্চাশ বছৰে বসবাস কৰিও অসমৰ ভাষা-সংস্কৃতিৰ হকে নিৰন্তৰে সেৱা আগবঢ়াই যোৱা প্ৰৱাসী অসমীয়া, স্নেহবন্ধনৰ উপ-সভাপতি, অসম সাহিত্য সভাৰ যুক্তৰাষ্ট্ৰ শাখাৰ উপ-সভাপতি, স্কটলেণ্ডত বিশেষভাৱে সন্মানীত শিক্ষয়িত্ৰী নিৰলা বৰুৱাই ডিব্ৰুগড়ত পদাৰ্পন কৰে। ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ চৌহদৰ সেউজীয়া বাকৰিত মাঘ বিহু উপলক্ষে অনুষ্ঠিত হোৱা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি নিৰলা বৰুৱাই কয় যে দীৰ্ঘদিনৰ পৰা কানৈ মহাবিদ্যালয় চোৱাৰ হেঁপাহ আছিল। সেই হেঁপাহ পূৰ্ণ কৰিবলৈকে মহাবিদ্যালয়খনত আহি এক অনাবিল আনন্দ লাভ কৰা বুলি উল্লেখ কৰি তেওঁ আৰু কয় যে মহাবিদ্যালয়খনে নিয়মীয়া পাঠ্যক্ৰমৰ উপৰি নতুন প্ৰজন্মক ভাষা-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰিবলৈ ব্যতিক্ৰমী কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। ই স্বাভাৱিকতে প্ৰশংসাৰ যোগ্য বুলি উল্লেখ কৰি কয় যে এনে এক সুন্দৰ অনুষ্ঠানত স্কটলেণ্ডৰপৰা পোনে পোনে ডিব্ৰুগড়ত উপস্থিত হৈ ভাগ ল'বলৈ পাই নিজকে ধন্য মানিছো। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ এনে প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰি কয় যে কণকণ শিশুৰ পৰা বৃদ্ধলৈকে সকলোকে সমৱেত কৰি মাঘ বিহুৰ পৰম্পৰা ৰক্ষা কৰাত আগভাগ লৈছে। ই এক প্ৰতিভা বিকাশৰ মঞ্চ বুলি উল্লেখ কৰি তেওঁ কয় যে এনেদৰে সকলোৱে সমৱেত হৈ ঐক্যবদ্ধভাৱে ভাষা-সংস্কৃতিৰ হৈ কাম কৰি গ'লে অসমীয়াৰ পৰম্পৰা, উৎসৱ কেতিয়াও লুপ্ত নহয়। উল্লেখ্য যে কানৈ মহাবিদ্যালয় ছাত্ৰএকতা সভা, ডিব্ৰুগড় জিলা মইনা পাৰিজাত, চাবুৱাৰ কালাৰ্চ ইনষ্টিটিউট আৰু ডিব্ৰুগড় ব্ৰহ্মপুত্ৰ সংগীত বিদ্যালয়ৰ উদ্যোগত ১২ জানুৱাৰীৰ সন্ধ্যা ৫ বজাৰ পৰা এনে বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। কেইবা শতাধিক কণকণ শিশু, মইনা, যুৱক-যুৱতী আৰু বৃদ্ধসকলেও ভাগ লোৱা অনুষ্ঠানটো উদ্বোধন কৰে ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ উপ-সভাপতি হিৰণ্য সেনাপতিয়ে। অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিন্ময় কলিতাই। লিজা পাঠকে আঁত ধৰা অনুষ্ঠানটোত কালাৰ্চ ইনষ্টিটিউটৰ তৰফৰ পৰা পিংকী সোণোৱাল, ধৰিত্ৰী দিহিংগীয়া, কুঁৱলী লেখাৰু শইকীয়াৰ বিহু প্ৰদৰ্শন, অংকুৰণ, মিলিজুলি মইনা পাৰিজাতৰ মইনা সকলৰ লগতে আন ভালেমান শিল্পী আৰু সংস্থাৰ সদস্যই নৃত্য-গীত আদি পৰিৱেশন কৰে।

## মথুৰাপুৰ শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তী বৰ্ষৰ প্ৰস্তুতি

**ই-সংবাদ, মথুৰাপুৰ, ১৫ জানুৱাৰীঃ** চৰাইদেউ জিলাৰ মথুৰাপুৰ অঞ্চলৰ এখনি অগ্ৰনী শিক্ষানুষ্ঠান শংকৰদেৱ শিশু নিকেতন। ২০০০ চনৰ ১৭ জানুৱাৰীত মথুৰাপুৰ অঞ্চলৰ কেইজনমান শিক্ষানুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত প্ৰতিষ্ঠা হোৱা শংকৰদেৱ শিশু নিকেতন শিক্ষানুষ্ঠানখনে গৌৰৱেৰে ২৫ টা বৰ্ষ অতিক্ৰম কৰি ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিছে। সেয়ে গৌৰৱোজ্জ্বল ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি চলিত মাহৰ ১৭ আৰু ১৮ জানুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে ইতিমধ্যে দ্ৰুতগতিত চলাই থকা হৈছে এক প্ৰস্তুতি। বিগত ২৪ টা বৰ্ষৰ নিকেতনখনৰ এই শৈক্ষিক যাত্ৰাত বৃহত্তৰ মথুৰাপুৰ অঞ্চলটোৰ অলেখ শিক্ষানুৰাগী ব্যক্তিৰ কায়িক, আৰ্থিক সহায়-সহযোগিতা তথা মাৰ্গ দৰ্শনত আজি শংকৰদেৱ শিশু নিকেতন, মথুৰাপুৰ অঞ্চলটোৰ এখন লেখত ল'বলগীয়া শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হৈছে। অংকুৰ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে পূৰ্ণাংগ ৰূপত পাঠদান আগবঢ়োৱা মথুৰাপুৰ অঞ্চলৰ এখন অন্যতম আগশাৰীৰ বিদ্যালয়। বিগত ১৪ টা বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰায় ১০০% ছাত্ৰ-ছাত্ৰী উৰ্ত্তীণ হোৱা বহুকেইজনে উচ্চ শিক্ষা গ্ৰহণ কৰি বিভিন্ন কৰ্মক্ষেত্ৰত আত্মপ্ৰতিষ্ঠা লাভ কৰিছে। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি ১৭ জানুৱাৰীত প্ৰতিষ্ঠা আৰু শিল্পী দিৱসৰ লগত সংগতি ৰাখি শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশন কৰা হ'ব গীত-মাত, নৃত্য আদিৰ অনুষ্ঠান। ১৮ জানুৱাৰীত পুৱা ৮ বজাৰ পৰা কাৰ্যসূচী আৰম্ভ কৰা হ'ব ক্ৰমে বন্তি প্ৰজ্বলন, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, নৱ নিৰ্মিত বিদ্যালয়ৰ গৃহ উন্মোচন, প্ৰাচীৰ পত্ৰিকা উন্মোচন আদি কাৰ্যসূচী। দিনৰ ১০ বজাত অনুষ্ঠিত হ'ব বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা। দিনৰ ১২ বজাত মুকলি সভা, বন্তি প্ৰজ্বলন আৰু গুৰু সেৱা। দিনৰ ২ বজাত স্মৃতিগ্ৰন্থ উন্মোচন, আবেলি ৩ বজাত প্ৰাক্তন আচাৰ্য-আৰ্চাযা আৰু ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ আলাপ। সন্ধিয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বন্তি প্ৰজ্বলন আৰু বন্দনা অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া ৫ বজাৰ পৰা আমন্ত্ৰিত আৰু স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব।

## বাঘমাৰা চৰ সমাজ কল্যাণ পৰিষদৰ উদ্যোগত ভোগালী বিহু পালন

**ই-সংবাদ, শিমলীতোলা, ১৫ জানুৱাৰীঃ** ৰাজ্যৰ চৌদিশে এতিয়া ভোগৰ উৎসৱ ভোগালী বিহু। উজনিৰ পৰা নামনিলৈ মাঘৰ এই জাৰকো আওকাণ কৰি অসমৰ বিভিন্ন প্ৰান্তৰ লগতে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰত বাঘমাৰা চৰ সমাজ কল্যাণ পৰিষদৰ দ্বাৰা আয়োজিত ভোগৰ উৎসৱ ভোগালী উদযাপন কৰা দেখা যায়। আধুনিকতাৰ ধামখুমিয়াত বৰ্তমান সময়ত ভেলাঘৰৰ পৰিৱৰ্তে আপোনজনৰ সৈতে ঘৰৰ চোতালতে এসাঁজ ৰান্ধি সকলোৱে প্ৰীতিভোজ খোৱা দেখা গৈছে। বাদ পৰি ৰোৱা নাই দক্ষিণ বৰপেটাৰ চেঙা সমষ্টি চৰাঞ্চল ৰাজ্যৰ আন প্ৰান্তৰ লেখিয়াকৈ ভেলাঘৰ,মেজি নিৰ্মাণৰ উপৰি ভোগালী বিহুৰ পৰম্পৰাৰ লগতে কেইবাটাও বিশেষ কাৰ্যসূচী হাতত লৈ দক্ষিণ বৰপেটাৰ চেঙা সমষ্টি বাঘমাৰা চৰত ভোগৰ উৎসৱ ভোগালী বিহু উখল-মাখল পৰিৱেশেৰে পালন কৰা পৰিলক্ষিত হৈছে। এই উৎসৱৰ দ্বাৰা অসমৰ বিভিন্ন জাতি ধৰ্মৰ মাজত একতাৰ এনাজৰী অক্ষুন্ন থকাৰ কথা ব্যক্ত কৰে পৰিষদৰ বিষয়ববীয়াসকলে।

## বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ উদ্যোগত ডুমডুমাত 'প্ৰাক ভোগালীৰ এনিশা' উদযাপন




**ই-সংবাদ, ডুমডুমা, ১৫ জানুৱাৰীঃ** বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ ডুমডুমা আঞ্চলিকৰ উদ্যোগত ডুমডুমা নগৰৰ আজাদ ৰোডস্থিত ডুমডুমা শতদল শাখা সাহিত্য সভা প্ৰাংগণত যোৱা ১২ আৰু ১৪ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে 'প্ৰাক ভোগালীৰ এনিশা' শীৰ্ষক অনুষ্ঠান এটি অনুষ্ঠিত হৈ যায়। এই উপলক্ষে ১২ জানুৱাৰীৰ পুৱা বিহুৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি অৰ্জুন বৰুৱাই। সন্ধিয়া বিশিষ্ট কণ্ঠশিল্পী ৰূপম কাশ্যপ, নিহাৰিকা দত্ত, পিণ্টু হাজৰিকা, নয়নমণি হাজৰিকা, ব্ৰিটনি গগৈ, ৰণ্টু খাটোৱাল আদিক লৈ এটা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠানৰ আৰম্ভণিতে বিশিষ্ট যুৱ সাংবাদিক লালন চাহানিক চেলেং, মানপত্ৰ, স্মাৰক আদিৰে বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ ডুমডুমা আঞ্চলিকে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা গ্ৰহণ কৰি দিয়া নিজৰ ভাষণ প্ৰসংগত সাংবাদিকগৰাকীয়ে বৃহত্তৰ অসমীয়া যুৱ মঞ্চক ধন্যবাদ জ্ঞাপন কৰি মঞ্চই অসমীয়া জাতি গঠনত আগবঢ়োৱা বৰঙণিৰ সন্দৰ্ভত কিছু বক্তব্য দাঙি ধৰে। অনুষ্ঠানটোত পুৱাৰে পৰা নিশালৈ বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি মানস বৰুৱা, সচিব প্ৰধান পৰমানন্দ ফুকন, সহকাৰী সচিব প্ৰধান প্ৰাণজিত চুতীয়া, মুখপত্ৰ যুগল কিশোৰ বৰুৱা, সাংগঠনিক সচিব দুৰ্লভ দাস, জিলা কাৰ্যনিৰ্বাহক সদস্যদ্বয় সুদীপ বিশ্বাস আৰু অচিন্ত্য মেধি আৰু মাকুম আঞ্চলিক মঞ্চৰ সচিব প্ৰধান বিবেক আইচ উপস্থিত থাকি পূৰ্ণ সহযোগিতা আগবঢ়ায়। অনুষ্ঠানৰ আঁত ধৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতিদ্বয় কুণাল নাৰায়ণ পাটোৱাৰী আৰু মুনীন্দ্ৰ গগৈ, যুটীয়া সম্পাদকদ্বয় মানস শৰ্মা আৰু ধৃতিমান কাশ্যপে। আনহাতে, ১৪ জানুৱাৰী তথা মকৰ সংক্ৰান্তিৰ পুৱা ডুমডুমা জ্যেষ্ঠ নাগৰিক সংস্থাৰ সম্পাদক প্ৰকাশ নাৰায়ণ পাটোৱাৰীয়ে মেজি প্ৰজ্জ্বলন কৰি কাৰ্যসূচীৰ আৰম্ভ কৰাৰ পিছত মেজিৰ গুৰিত নাম প্ৰসংগ অনুষ্ঠিত কৰা হয়।

## পাকৈত শিপিনী, বনৌষধিৰ উদ্ভাৱক, সৰবৰহী মহিলা পুষ্পলতা খাউণ্ডৰ পৰলোকপ্ৰাপ্তি

**ই-সংবাদ, ডুমডুমা, ১৫ জানুৱাৰীঃ** চাহ নগৰী ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিং বিষ্ণুনগৰ নিবাসী, পাকৈত শিপিনী, বনৌষধিৰ উদ্ভাৱক, গোঁসানী নামৰ শিল্পী, অতি সৰবৰহী, অতিথিপৰায়ণা তথা ধৰ্মপ্ৰাণা মহিলা পুষ্পলতা খাউণ্ড (৯১)ৰ বাৰ্ধক্যজনিত কাৰণত অলপতে নিজা গৃহত মৃত্যু ঘটে। উল্লেখ্য যে, শিৱসাগৰ জিলাৰ কালুগাঁৱত জন্মগ্ৰহণ কৰা আৰু বিবাহ সূত্ৰে জাঁজী জামুগুৰিৰ বোৱাৰী পুষ্পলতা খাউণ্ডে স্বামী ভোলানাথ খাউণ্ড (স্বৰ্গীয়)ৰ কৰ্মসূত্ৰে সৰহভাগ বছৰ চাহ বাগিচাত কটোৱাৰ অন্তত ৪৫ বছৰ পূৰ্বে ৰূপাই চাইডিঙলৈ আহি স্থানীয় নামঘৰ আৰু সমাজৰ সৈতে একাত্ম হৈ পৰিছিল। তেওঁ ৰং-বিৰঙৰ দলিচা নিৰ্মাণত সিদ্ধহস্ত আছিল আৰু বিভিন্ন বনৌষধিৰে বহু ৰোগীক সুস্থ হোৱাত সহায় কৰি একপ্ৰকাৰৰ মানৱ সেৱা কৰি গৈছিল। মৃত্যুৰ সময়ত এক পুত্ৰ, দুই বোৱাৰী, তিনি কন্যা-জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়ক ইহসংসাৰত এৰি থৈ যায় পুষ্পলতা খাউণ্ডে।

## ডুমডুমাৰ অম্বিকাগিৰি পথত ভোগালী উদযাপন



**ই-সংবাদ, ডুমডুমা, ১৫ জানুৱাৰীঃ** ডুমডুমা পৌৰসভাৰ ১০ নং ৱাৰ্ডৰ অম্বিকাগিৰি পথত অৱস্থিত খেলপথাৰত চুবুৰীটোৰ বুঢ়া-বুঢ়ী, ডেকা-গাভৰু, কিশোৰ-কিশোৰী, শিশুকে আদি কৰি জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোক একত্ৰিত হৈ ভোগালী বিহু উপলক্ষে ১৪ জানুৱাৰীৰ পুৱা সমূহীয়াভাৱে মেজি প্ৰজ্জ্বলন কৰে। তাৰ পিছতে পাঠক অৱনী কলিতাৰ নেতৃত্বত ডুমডুমা নাগাৰা নাম সংঘৰ দলে নাগাৰা নাম পৰিৱেশনেৰে এক ভক্তিৰসৰ পৰিৱেশৰ সূচনা কৰে। চুবুৰীৰ প্ৰতিটো পৰিয়ালে মেজিৰ গুৰিত আগবঢ়োৱা মাহ-প্ৰসাদৰ শৰাইবোৰে মেজিৰ চৌপাশ শুৱনি কৰি তোলে। নাগাৰা নামভাগিৰ অন্তত শৰাইবোৰৰ প্ৰসাদ একত্ৰিত কৰি উপস্থিত ৰাইজৰ মাজত বিতৰণ কৰা হয়। উপস্থিত সকলোকে চাহ, বিহুৰ পিঠা-পনা, দৈ-চিৰা আদিৰে আপ্যায়ন কৰা হয়। শেষত শিশুসকলৰ মাজত এক চিত্ৰাংকন প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাত মেলিনা কলিতা প্ৰথম, গুঞ্জনা শৰ্মা দ্বিতীয় আৰু প্ৰীতম শৰ্মা তৃতীয় নিৰ্বাচিত হয়। প্ৰতিযোগিতাৰ অন্তত পুৰস্কাৰ বিতৰণ কৰা হয়। ভোগালী বিহু উদযাপনৰ আয়োজনৰ মাজতেই কণ্ঠশিল্পী ৰাজীৱ শদিয়াৰ আকস্মিক মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি ক্ষন্তেক মৌন প্ৰাৰ্থনা জনোৱা হয়।

# সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক ৰাজ্যিক অধিৱেশনৰ ব্যাপক আয়োজন

**ই-সংবাদ, ৰঙিয়া, ১৫ জানুৱাৰীঃ** ৰঙিয়াৰ তৰণীত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক ৰাজ্যিক অধিৱেশন অহা ২১ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত কৰাৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। এই উপলক্ষে তৰণীৰ আৰিমত্ত ভৱনস্থিত আয়োজক সমিতিৰ মুখ্য কাৰ্যালয়ত আয়োজক সমিতিয়ে এখন সংবাদমেল অনুষ্ঠিত কৰে। সংবাদমেল সম্বোধন কৰি আয়োজক সমিতিৰ কাৰ্যকৰী সভাপতি লৰধৰ কলিতা আৰু সাধাৰণ সম্পাদক ৰাজেন কলিতাই কয় যে অধিৱেশনখন ৰঙিয়া জিলা সমিতিৰ আতিথ্যত তৰণীৰ হৰি মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হ'ব। ৰাজ্যৰ ২৫ খন জিলা সমিতিয়ে অংশগ্ৰহণ কৰিবলগীয়া উক্ত অধিৱেশনখন সাফল্যমণ্ডিত কৰি তুলিবলৈ আদৰণী সমিতিয়ে ব্যাপক প্ৰস্তুতি চলাইছে। স্থানীয় বিধায়ক তথা বিজেপি দলৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাক আদৰণি সমিতিৰ সভাপতি হিচাপে লৈ গঠিত আদৰণি সমিতিয়ে ইতিমধ্যে বাজেট গ্ৰহণকে ধৰি প্ৰাৰম্ভিক ব্যৱস্থাপনাৰ কাম-কাজৰ আৰম্ভ কৰিছে। তদুপৰি অধিৱেশন উপলক্ষে প্ৰকাশ পাব এখনি স্মৃতিগ্ৰন্থ। স্মৃতিগ্ৰন্থখনিৰ সম্পাদনাৰ বাবে শুক্লেশ্বৰ কলিতাক সভাপতি আৰু উজ্জ্বল ডেকাক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হৈছে। স্মৃতিগ্ৰন্থত প্ৰকাশৰ বাবে কলিতা জনগোষ্ঠীৰ ইতিহাস, আৰ্থ-সামাজিক, ৰাজনৈতিক, কলা-কৃষ্টি সম্পৰ্কীয় লেখনি অহা ১৫ মাৰ্চ বা তাৰ আগতে জমা দিয়াৰ বাবেও সংবাদমেলযোগে অনুৰোধ জনায়। ইফালে, সংবাদমেলত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিয়েও অংশগ্ৰহণ কৰি আগন্তুক অধিৱেশনত কলিতা আলপাইন জনগোষ্ঠীৰ বিভিন্ন দাবী উত্থাপন কৰা হ'ব বুলি উল্লেখ কৰে। বিশেষকৈ ভাৰতীয় সংবিধানৰ ৩৪২ (ক) অনুচ্ছেদৰ অধীনত ভূমিপুত্ৰ কলিতাসকলক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান কৰা আৰু সংবিধানৰ ২৪৪(২) আৰু ২৭৫(১) অনুচ্ছেদৰ ভিত্তিত ষষ্ঠ অনুসূচীৰ অন্তৰ্গত কৰি ৰাজনৈতিক স্বায়ত্তশাসিত পৰিষদ ঘোষণা কৰা, মিছন ভূমিপুত্ৰ ৩.০ আঁচনিৰ অধীনত তিনিটা প্ৰজন্মৰ নথি দাখিলৰ পৰা ভূমিপুত্ৰসকলক ৰেহাই দিয়া আদি কৰি কেইবাটাও দাবী সন্দৰ্ভতো আলোচনা কৰা হ'ব।

# পলাশবাৰীত 'মাঘীমেলা' সম্পন্ন



**ই-সংবাদ, মিৰ্জা, ১৫ জানুৱাৰীঃ** পলাশবাৰী সমষ্টিৰ মিৰ্জাৰ পলাশবাৰী আৰ বি উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয় খেল পথাৰত আয়োজন কৰা হয় 'মাঘী মেলা-২০২৫'। বুধবাৰে সন্ধিয়া ৬ বজাত মাঘী মেলাৰ মুখ্য দ্বাৰ মুকলিৰ পিছতে পঞ্চম দিনা মেলাৰ সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে অসম অলিম্পিক সন্থাৰ যুটীয়া সম্পাদক হিমাংশু শেখৰ বৈশ্যই। প্ৰতিদিনে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজনে এই মেলাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অসমৰ সংস্কৃতিৰ বৰ পথাৰখনত ক্ৰমান্বয়ে হেৰাই যাবলৈ ধৰা ৰুৱী পাপেট পুতলা নাচ থিয়েটাৰৰ সংযোজনে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। এই বেলিও মাঘীমেলা-২০২৫ ৰ বিশেষ আকৰ্ষণ হিচাপে আছিল আদৰ্শ গাঁও, পুতলা নাচ, মেজি, গোহালি ঘৰ, চ'ৰাঘৰ, চাংঘৰ, গছ-গছনিৰ বাৰী, ঢেঁকীঘৰ আদিৰ উপৰি অসমৰ বিভিন্ন ঠাইৰ পৰা অহা থলুৱা খাদ্যৰ বিপণীৰ লগতে নানা ধৰণৰ কাপোৰ-কানিৰ বিপণী।

# সৰ্বভাৰতীয় প্ৰতিযোগিতাত জিলিকিল অসম কন্যা হেমান্য বুঢ়াগোহাঁই

**ই-সংবাদ, চতিয়া, ১৫ জানুৱাৰীঃ** গাঁৱৰ বোকাপানী খচকি ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হোৱা লিটিল মিছ ইণ্ডিয়াত জিলিকিল অসম কন্যা হেমান্য বুঢ়াগোহাঁই। উৰিষ্যাত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত লিটিল মিছ ইণ্ডিয়া প্ৰথম ৰানাৰ্ছআপৰ খিতাপ অৰ্জন কৰে হেমান্য বুঢ়াগোহাঁয়ে। হেমান্য বুঢ়াগোহাঁই বিশ্বনাথ জিলাৰ চতিয়াৰ বেজহোলাৰ ৰাণা বুঢ়াগোহাঁই আৰু মৌচুমী বুঢ়াগোহাঁইৰ কন্যা। ৰাষ্ট্ৰীয় পৰ্যায়ত খিতাপ অৰ্জন কৰা হেমান্য বুঢ়াগোহাঁইক আজি চতিয়া নাট্য ভৱনত চতিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই সম্বৰ্ধনা জ্ঞাপন কৰে। বিৰংগনা নাৰী মঞ্চ, চতিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত



বিষয়া ত্ৰিলোচন দাস, বেৰজহোলা গাঁও সংগঠনকে আদি কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে হেমান্য বুঢ়াগোহাঁইক সম্বৰ্ধনা জ্ঞাপন কৰে।

# ডুমডুমাত গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, ডুমডুমা, ১৫ জানুৱাৰীঃ** ১৯৪৯ চনত প্ৰতিষ্ঠা লাভ কৰা 'অসম গাঁওৰক্ষী বাহিনী'-এ প্ৰতি বছৰৰ ২৮ আৰু ২৯ জানুৱাৰীত বাহিনীটোৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস অসমৰ কোনো এক স্থানত কেন্দ্ৰীয়ভাৱে উদযাপন কৰি আহিছে। এইবাৰ এই দিৱসটি চাহ নগৰী ডুমডুমাত অনুষ্ঠিত কৰিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰাত চলিত বৰ্ষৰ প্ৰতিষ্ঠা দিৱসটি উদযাপনৰ প্ৰস্তুতিৰ সন্দৰ্ভত আলোচনাৰ অৰ্থে দেওবাৰে ডুমডুমা আৰক্ষী থানাৰ সভাকক্ষত এখন সভা অনুষ্ঠিত হৈ যায়। সভাত অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (গৃহৰক্ষী, কাৰাগাৰ আৰু অসামৰিক প্ৰতিৰক্ষা)ৰ মন্ত্ৰী ৰূপেশ গোৱালা, অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ সচিব অসীম কুমাৰ ভট্টাচাৰ্য, তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপ, তিনিচুকীয়া জিলাৰ অতিৰিক্ত আয়ুক্ত আৰমান আহমেদ, ডুমডুমা সম-জিলাৰ আয়ুক্ত নুজহাৎ নাছৰিন, অসম গাঁওৰক্ষী বাহিনীৰ মুখ্য উপদেষ্টা ৰঞ্জিত মজুমদাৰ, উপদেষ্টা পাৰ্থপ্ৰতিম দাস, তিনিচুকীয়া মহকুমাৰ উপদেষ্টা ৰবীন কুৰ্মী, মাৰ্ঘেৰিটা মহকুমাৰ উপদেষ্টা বিকাশ বৰুৱা, ডুমডুমা চক্ৰৰ সংগঠক লাকীমা মেছ আদিয়ে অংশগ্ৰহণ কৰি দিৱসটি সফলতাৰে অনুষ্ঠিত কৰিবলৈ বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। জানিব পৰা মতে, আয়োজিত উক্ত কাৰ্যসূচীত অসমৰ বিভিন্ন প্ৰান্তৰ সহস্ৰাধিক গাঁওৰক্ষী বাহিনীৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। প্ৰথম দিনা প্ৰতিনিধি সভা অনুষ্ঠিত হোৱাৰ বিপৰীতে দ্বিতীয় দিনা সাংস্কৃতিক শোভাযাত্ৰা আৰু মুকলি সভা অনুষ্ঠিত হ'ব। দেওবাৰৰ সভাত প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক মুখ্য অতিথি হিচাপে আমন্ত্ৰণ জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পাল, আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপ, ডুমডুমা সম-জিলাৰ আয়ুক্ত নুজহাৎ নাছৰিনৰ নেতৃত্বত এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখনি সম্পাদনাৰ বাবে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা বিশিষ্ট শিক্ষাবিদ, সমাজসেৱক প্ৰকাশ দত্ত আৰু জ্যেষ্ঠ সাংবাদিক দীনেশ গোয়েলৰ নেতৃত্বত এখন সম্পাদনা সমিতিও গঠন কৰা হয়। সভাত ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, উপ-পৌৰপতি মণি দত্ত, জ্যেষ্ঠ সাংবাদিক অৰ্জুন বৰুৱা, বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ প্ৰণৱ জ্যোতি ডেকাকে প্ৰমুখ্যে কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# খিতাপৰ যুঁজত পিচিচিৰ বিৰুদ্ধে ৰিলিফ ৰাইন'ছ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৫ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ ৰঙাদৰীয়াৰ সমীপৰ বালিজানৰ ছানৰাইজ ক্লাবৰ উদ্যোগত বালিজান খেলপথাৰত সদৌ অসম ভিত্তিত চলি থকা " ক্ৰিকেট মহাৰণ-২০২৪/২৫"ৰ কাইলৈ অনুষ্ঠিত হ'বলগীয়া বহু প্ৰতীক্ষিত ফাইনেল খেলখনত নগাঁৱৰ ৰিলিফ ৰাইন'ছে পি চি চি দলৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইতিমধ্যে অনুষ্ঠিত ৰোমাঞ্চকৰ ছেমিফাইনেলত ৰিলিফ ৰাইন'ছে নগাবন্ধাৰ এন আৰ এছ এণ্ড এছ এছ সন্মিলিত দলক দুই উইকেটত আৰু পি চি চিয়ে বেচামাৰীৰ এম এইছ ইলেভেনক ২৬ ৰাণত হৰুৱাই ফাইনেলত উপনীত হৈছে। আয়োজক সমিতিৰহৈ বিষয়ববীয়া নজৰুল ইছলাম, ৰফিকুল ইছলাম আৰু জেহিৰুল হকে জানিবলৈ দিয়া মতে, ফাইনেল খেলখনৰ আকৰ্ষণীয় উদ্বোধনী অনুষ্ঠানত ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট ক্ৰীড়া সংগঠক সন্মানীয় অতিথিৰূপে উপস্থিত থাকিব।

# ছত্তীশগড়ত প্ৰাক্তন আবকাৰী মন্ত্ৰীক গ্ৰেপ্তাৰ

**ৰায়পুৰ, ১৫ জানুৱাৰীঃ** ক্ষমতাৰ পৰিৱৰ্তনৰ পিছতে ছত্তীশগড়ত উত্থাপন হৈছে বিৰোধীৰ বিৰুদ্ধে তদন্তকাৰী সংস্থাৰ অপপ্ৰয়োগৰ অভিযোগ। শেহতীয়াকৈ সুৰা কেলেংকাৰীৰ গোচৰত প্ৰবীণ কংগ্ৰেছ নেতা তথা প্ৰাক্তন আবকাৰী মন্ত্ৰী কাৱাসী লখমাক ইডিৰ গ্ৰেপ্তাৰক লৈ বিজেপিৰ বিৰুদ্ধে সোচ্ছাৰ হৈছে বিৰোধী দলসমূহ। উল্লেখ্য যে, ২১৬১ কোটি টকীয়া সুৰা কেলেংকাৰীৰ অভিযোগত বুধবাৰে ইডিয়ে গ্ৰেপ্তাৰ কৰিছে প্ৰাক্তন মন্ত্ৰী কাৱাসী লখমাক। কংগ্ৰেছ শাসনত থকাৰ সময়ত অবৈধ কাৰ্যকলাপত জড়িত থকাৰো অভিযোগ উঠিছে লখমাৰ বিৰুদ্ধে। ইডিৰ সূত্ৰ অনুসৰি, ২০১৯ চনৰ পৰা ২০২২ চনৰ ভিতৰত মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা কাৱাসী লখমা অবৈধ সুৰা ব্যৱসায়ৰ সৈতে জড়িত আছিল। তেওঁৰ কাৰ্যকালতে চৰকাৰী সুৰাৰ দোকানতো অবৈধ সুৰা বিক্ৰী কৰা হৈছিল, আৰু প্ৰতিটো সুৰাৰ গোচৰৰ বাবে বিতৰকৰ পৰা উৎকোচ লৈছিল। এই কেলেংকাৰীৰ গোচৰৰ তদন্তৰ সময়ত যোৱা বছৰৰ ২৮ ডিচেম্বৰত লখমাৰ বাসগৃহত অভিযান চলায় ইডিয়ে। ইয়াৰ পৰৱৰ্তী সময়ত ৰায়পুৰ, ধামদাৰী আৰু চুকমা জিলাতো অভিযান চলায় তদন্তকাৰী দলটোৱে। সমান্তৰালভাৱে লখমাৰ পুত্ৰ হৰিশ আৰু অন্যান্য আত্মীয়ৰ বাসগৃহতো চলোৱা হয় অভিযান।




এদিনীয়া শৃংখলাত আয়াৰলেণ্ডক ৩-০ ব্যৱধানত পৰাভূত কৰি ট্ৰফীৰ সৈতে ভাৰতীয় মহিলা ক্ৰিকেট দলটো

**মধ্যপ্ৰদেশৰ গোৱালিয়ৰত সংঘটিত নৃশংস কাণ্ডক লৈ চাঞ্চল্য**

# প্ৰেমিকৰে বিয়াত বহিব খোজা বাবেই কন্যাক গুলীয়াই হত্যা পিতৃৰ

**ভূপাল, ১৫ জানুৱাৰীঃ** পিতৃয়ে পছন্দ কৰা দৰাৰ সৈতে বিবাহত বহিবলৈ অমান্তি হোৱাটোৱেই কাল হ'ল কন্যাৰ বাবে। বিয়াৰ বাবে অস্বীকাৰ কৰা কন্যাক ৰাজহুৱা স্থানতে গুলীয়াই হত্যা কৰিলে নিৰ্দয় পিতৃয়ে। এই চাঞ্চল্যকৰ হত্যাকাণ্ড সংঘটিত হৈছে মধ্যপ্ৰদেশৰ গোৱালিয়ৰত। নিহত যুৱতীগৰাকীৰ পৰিচয় তনু গুৰজাৰ (২০) বুলি জানিব পৰা গৈছে। আনহাতে এই হত্যাকাণ্ড সংঘটিত কৰা পিতৃ মহেশ গুৰজাৰক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে, মঙলবাৰে নিশা প্ৰায় ৯ বজাত ছ'চিয়েল মিডিয়াত এটা ভিডিঅ' পোষ্ট কৰে তনুয়ে। এই ভিডিঅ'টোত যুৱতীগৰাকীয়ে দাবী কৰে যে তেওঁৰ দেউতাকে নিজৰ পছন্দৰ ল'ৰাৰ সৈতে বিয়াত বহিবলৈ হেঁচা প্ৰয়োগ কৰিছে। ভিডিঅ'টোত তনুৰে লগতে কয় যে উত্তৰ প্ৰদেশৰ আগ্ৰাৰ বিকি মাৱাই নামৰ যুৱকজনৰ সৈতে তেওঁৰ ছয় বছৰীয়া প্ৰেমৰ সম্পৰ্ক আছে। প্ৰথমে তেওঁলোকৰ সম্পৰ্কক পৰিয়ালে সন্মতি প্ৰদান কৰিছিল যদিও পিছত পৰিয়ালে এই সম্পৰ্কৰ বিৰোধিতা কৰিবলৈ লোৱা বুলিও দাবী কৰে যুৱতীগৰাকীয়ে। ছ'চিয়েল মিডিয়াৰ ভিডিঅ'ত বিয়াৰ বাবে হেঁচা প্ৰয়োগ কৰি পিতৃয়ে নিতৌ শাৰীৰিক অত্যাচাৰ চলোৱাৰো অভিযোগ উত্থাপন কৰে। ইফালে এই ভিডিঅ'টো ভাইৰেল হোৱাৰ পিছতে যুৱতীগৰাকীৰ বাসগৃহত উপস্থিত হয় আৰক্ষী অধীক্ষক ধৰমবীৰ সিং। সেই সময়তো পৰিয়ালৰ ভিতৰত চলি আছিল তুমুল বিবাদ। তাৰ মাজতে পিতৃ মহেশ গুৰজাৰে এটা দেশী পিষ্টলেৰে কন্যা তনু গুৰজাৰৰ বুকুলৈ লক্ষ্য কৰি গুলীচালনা কৰে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, পিতৃয়ে গুলীচালনা কৰাৰ পিছত যুৱতীগৰাকীৰ মৃত্যু নিশ্চিত কৰিবলৈ ডিঙি আৰু কপাললৈ লক্ষ্য কৰি গুলীচালনা কৰে মহেশ গুৰজাৰৰ ভতিজা ৰাহুল গুৰজাৰেও। আৰক্ষীয়ে মহেশ গুৰজাৰক গ্ৰেপ্তাৰ কৰিছে যদিও বৰ্তমানেও পলাতক হৈ আছে ৰাহুল। এই নৃশংস ঘটনাই সৰ্বত্ৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# বৰপেটা সত্ৰৰ পৰম্পৰাৰে ওদালগুৰিৰ সত্ৰ-নামঘৰত মেজি প্ৰজ্বলন

**ই-সংবাদ, ওদালগুৰি, ১৫ জানুৱাৰীঃ** সোমবাৰে ৰাজ্যজুৰি পালিত হ'ল ভোগালীৰ উৰুকা। ওদালগুৰিৰ বিভিন্ন প্ৰান্ততো সোমবাৰে নিশা উৰুকাৰ ব্যাপক উৎসাহ পৰিলক্ষিত হয়। নিশা লগে ভাগে এসাজ খাই আনন্দ কৰি পিছদিনা পুৱা পৰম্পৰাগত নিয়ম অনুসৰি মেজি প্ৰজ্বলন কৰে। কিন্তু ওদালগুৰি চহৰখনৰ ভিন্ন প্ৰন্তত মঙলবাৰেও নিশাও উৰুকা পালন কৰা দেখা যায়। বিশেষকৈ বৰপেটা সত্ৰৰ পৰম্পৰা আৰু ৰীতি-নীতি মানি একাংশ ওদালগুৰিবাসীয়ে মঙলবাৰে নিশাও উৰুকা খোৱা পৰ্ব দেখা যায়। ইয়াৰ পাছত আজি চহৰখনৰ সত্ৰ-নামঘৰসমূহত দেখা যায় মেজি প্ৰজ্বলনৰ দৃশ্য। বৰপেটা সত্ৰৰ সৈতে সম্পৰ্কিত ওদালগুৰি শ্ৰীমন্ত শংকৰদেৱ সত্ৰ, মধ্য ওদালগুৰি ৰাজহুৱা নামঘৰ ৰাখালঘৰ আদিকে ধৰি চহৰখনত বহুকেইটা সত্ৰ আৰু নামঘৰত আজি মেজি প্ৰজ্বলন কৰা দেখা যায়। পুৱাই সত্ৰসমূহত নাম-প্ৰসংগ সমাপ্ত হোৱাৰ অন্তত ওদালগুৰি শ্ৰীমন্ত শংকৰদেৱ সত্ৰ, মধ্য ওদালগুৰি ৰাজহুৱা নামঘৰ ৰাখাল ঘৰত পৰম্পৰা অনুসৰি আই-মাতৃ, বাপ-বান্ধৱসকলৰ উপস্থিতিত সত্ৰৰ চৌহদত নিৰ্মাণ কৰা মেজিত অগ্নিসংযোগ কৰে সত্ৰৰ সমাজে। মেজি প্ৰজ্বলনৰ জৰিয়তে মেজিৰ জুইত সমাজৰ অসূয়া-অপ্ৰীতি নাশ হোৱাৰ কামনা কৰে সকলোৱে। সমান্তৰালভাৱে বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাবে সকলোৱে প্ৰাৰ্থনা কৰে। একেদৰে ওদালগুৰি বিষ্ণুৰাভা কৃষ্টি সংঘ, ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাকে আদি কৰি চহৰখনৰ ভিন্ন প্ৰান্তত ৰাজহুৱাভাৱে মেজি প্ৰজ্বলন কৰা দেখা যায়। ইপিনে পহিলা মাঘৰ দিনটোত চহৰখনৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানসমূহত ভক্তৰ লানি নিছিগা সোঁত দেখা যায়। সত্ৰ নামঘৰসমূহৰ উপৰিও বিভিন্ন মন্দিৰত ৰাইজে ভিৰ কৰা পৰিলক্ষিত হয়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি